


গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ২৪ অক্টোবৰ ২০২৫/৬ কাতি ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ
● সংখ্যা - ২৭ ● Vol - 14, Issue - 27

# জুবিন গাৰ্গক ন্যায় প্ৰদানৰ বিষয়টোক ৰাজ্য চৰকাৰে সৰ্বাধিক প্ৰাথমিকতা প্ৰদান কৰিছে ঃ ড° শৰ্মা

## বাক্সাৰ লক্ষ্মীপুৰ 'এ' ব্লক গাঁৱত মুখ্যমন্ত্ৰী ঃ গাঁওবাসীৰ সৈতে বাৰ্তালাপৰ লগতে আৰক্ষীৰ গুলীত আহত ব্যক্তিদ্বয়ৰ চিকিৎসাৰ বাবে দুই লাখ টকাকৈ প্ৰদান

**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বাক্সা জিলাত উপস্থিত হৈ বিশিষ্ট শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত অভিযুক্ত দুজন ব্যক্তিক যোৱা ১৫ অক্টোবৰত বাক্সা জিলা কাৰাগাৰলৈ লৈ যোৱাৰ ঘটনাক কেন্দ্ৰ কৰি আইন-শৃংখলাজনিত পৰিস্থিতিৰ সৃষ্টি হোৱা জিলাখনৰ লক্ষ্মীপুৰ 'এ' ব্লক গাঁও পৰিদৰ্শন কৰে। উল্লেখ্য যে, এই ঘটনাৰ পৰিপ্ৰেক্ষিতত পৰিস্থিতি নিয়ন্ত্ৰণৰ অৰ্থে আৰক্ষীয়ে গুলীচালনা পৰ্যন্ত কৰিবলগা হোৱা ঘটনাৰ ফলস্বৰূপে দীপক মেধি আৰু বিদ্যুৎ কলিতা নামৰ দুজন ব্যক্তি আহত হৈছিল। মুখ্যমন্ত্ৰীয়ে উক্ত ঘটনাত আহত দীপক মেধি আৰু বিদ্যুৎ কলিতাৰ পৰিয়ালবৰ্গক সাক্ষাৎ কৰে আৰু দুই লাখ টকাকৈ ধনৰাশিৰ চেক আহত ব্যক্তি দুগৰাকীৰ চিকিৎসাৰ বাবে প্ৰদান কৰে। ৰাজ্য চৰকাৰৰ তৰফৰ পৰা আহত ব্যক্তি দুগৰাকীৰ চিকিৎসাৰ অৰ্থে প্ৰয়োজনত অধিক সহায় আগবঢ়োৱাৰো আশ্বাস প্ৰদান কৰে মুখ্যমন্ত্ৰীয়ে। আনহাতে, মুখ্যমন্ত্ৰী ড° শৰ্মাই এই বাক্সা জিলা ভ্ৰমণকালতে লক্ষ্মীপুৰ 'এ' ১০ পৃষ্ঠাত





# নগাঁৱৰ দক্ষিণপাটত অসমৰত্ন জুবিন গাৰ্গৰ মৃত্যুৰ মাহেকীয়া তিথি উপলক্ষে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

## গীতে-মাতেৰে মৰমৰ শিল্পীজনৰ মৃত্যুৰ ন্যায় বিচাৰিলে আৱেগিক জনতাই




**জয়ন্ত মুদৈ, নগাঁও ঃ** অসমৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মহাপ্ৰয়াণে ইতিমধ্যে এমাহ অতিক্ৰম কৰিলে। কায়িকভাৱে কোনো অজান ঠাইলৈ গুছি গ'লেও মৰমৰ শিল্পীজনৰ অনুপস্থিতিয়ে আজিও সকলোকে আৱেগিক কৰি ৰাখিছে। সেয়ে হিয়াৰ আমঠু শিল্পীজনৰ অকল্পনীয় মৃত্যুৰ এমহীয়া তিথি উপলক্ষে দেওবাৰে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বিভিন্ন দল-সংগঠনে শ্ৰদ্ধা নিবেদি শিল্পীজনক গভীৰভাৱে স্মৰণ কৰে। ইয়াৰ অংশ হিচাপে নগাঁও জিলাৰ দক্ষিণপাট চাৰিআলিত সংগীতৰ ভগৱান জুবিন গাৰ্গৰ মাহেকীয়া তিথিৰ লগত সংগতি ৰাখি দক্ষিণ-পশ্চিম নগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিৰ লগতে অঞ্চলবাসীৰ সহযোগত আয়োজিত এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ প্ৰাকক্ষণত এক শোকাকুল আধ্যাত্মিক পৰিৱেশত তিনি গছি বন্তি প্ৰজ্বলন কৰে বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰতাপ সিং, জাগীয়াল ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক পূৰ্ণ কান্ত নাথ আৰু দক্ষিণ-পশ্চিম নগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি কল্পজ্যোতি বৰাই। ইয়াৰ পিছতে পুষ্পাঞ্জলি অনুষ্ঠানৰ শুভাৰম্ভ কৰে কৃতী শিক্ষকৰ বঁটাপ্ৰাপক অৱসৰী শিক্ষক লৱ কান্ত শৰ্মা আৰু প্ৰাক্তন ছাত্ৰ নেতা দেৱাংগ ভুষণ দাসে। এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক মৃদুল বৰুৱা, সাংগঠনিক সম্পাদক তন্ময় ডেকা, প্ৰাক্তন ছাত্ৰ নেতা ক্ষিতিশ দাস, বিদ্যাসাগৰ কাকতি, নিতুমনি ৰাজখোৱা, ৰিজু শৰ্মা, তোলেন্দ্ৰ পাটৰ, গণেশ দাসকে প্ৰমুখ্য কৰি বহুকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানত সংগীতেৰে জগত জিনা অমৰ শিল্পীজনৰ প্ৰতি শ্ৰদ্ধা জনাই লৱ কান্ত শৰ্মা আৰু পূৰ্ণ কান্ত নাথে জুবিন গাৰ্গৰ জীৱন আৰু বিৰল সাংস্কৃতিক কৰ্মৰাজিৰ বিষয়ে আলোকপাত কৰাৰ লগতে জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ৰ বাবে আহ্বান জনায়। উক্ত অনুষ্ঠানতে জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদি কণ্ঠশিল্পী প্ৰণামিকা গোস্বামী, নিশিতা হাজৰিকা, অপূৰ্ব কাকতি আৰু পল্লৱী ভড়ালীয়ে শিল্পীজনৰ বহুকেইটা চিৰস্মৰণীয় গীত পৰিৱেশন কৰে। অনুষ্ঠানৰ শেষত ইতিমধ্যে প্ৰাৰ্থনালৈ ৰূপান্তৰিত হোৱা শিল্পীজনৰ অমৰ সৃষ্টি 'মায়াবিনী ৰাতিৰ বুকুত' শীৰ্ষক গীতটি সমৱেতভাৱে সকলোৱে সমস্বৰে পৰিৱেশন কৰি এক আৱেগিক পৰিৱেশৰ সৃষ্টি কৰাৰ লগতে সকলোৱে একে মুখে বুকুৰ আপোন শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি 'জয় জুবিন' আৰু 'জুবিন গাৰ্গ অমৰ হওঁক' ধ্বনিৰে বৃহত্তৰ অঞ্চলটোৰ আকাশ-বতাহ মুখৰিত কৰি তোলে।

# নামনি অসমৰ সভা-মহোৎসৱৰ ইতিহাসত বছৰৰ সৰ্বপ্ৰথম 'নাকেৰবাৰী সভা মহোৎসৱ'




■ দিলীপ ৰয়

**ন**লবাৰী জিলাৰ বানেকুছি ৰাজহ চক্ৰৰ অন্তৰ্গত কৈঠালকুছি ৰাজহ গাঁৱৰ নাকেৰবাৰী চুবুৰীৰ ঐতিহ্যমণ্ডিত গোপাল থানত বিগত ডেৰ শতাধিক বছৰ প্ৰায় ২১৫ টা পৰিয়ালে উদ্‌যাপন কৰি অহা 'নাকেৰবাৰী সভা মহোৎসৱ' নামনি অসমৰ সকলোবোৰ সভাৰ ভিতৰত বছৰটোৰ প্ৰথম সভা হিচাপে পৰিগণিত হৈ আহিছে। এই সভা প্ৰতি বছৰে কাতি মাহৰ শুক্লা ভাতৃ দ্বিতীয়া তিথিৰ পৰা চাৰিদিনীয়াকৈ উদ্‌যাপিত হৈ আহিছে। আনুমানিক ১৫০০ শতিকাত ১৩ ঘৰ কৈৱৰ্ত্ত বংশৰ লোকে এই চুবুৰীটোত আহি নিগাজীকৈ বাস কৰিবলৈ লৈছিল আৰু তাৰেই বংশধৰে বাসস্থান আজিৰ নাকেৰবাৰী চুপা য'ত সভা-মহোৎসৱৰ ইতিহাসত এক যুগান্তকাৰী সভা-মহোৎসৱ হিচাপে লেখত স্থান লাভ কৰিছে ।

**সভা আৰম্ভণিৰ আঁৰৰ লোকবিশ্বাস**

লোক মুখত পোৱা তথ্য মতে আজিৰ পৰা প্ৰায় ১৮০ বছৰমান আগেয়ে এজন বাকসিদ্ধ শিৱভক্ত প্ৰবাদ পুৰুষে (সন্যাসী) নানা ঠাই পৰিভ্ৰমণ কৰি আহি এই নাকেৰবাৰী চুবুৰীৰ কেতেকী ফুলেৰে আবৃত ভয়াৱহ ঘন জংঘলেৰে



# উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত ৬৩তম নৱাগত আদৰণি সভা



**উত্তৰ গুৱাহাটী ঃ** ইংৰাজী ১১ অক্টোবৰ তাৰিখ শনিবাৰে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত ৬৩তম নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভাস্কৰজ্যোতি হাজৰিকাই। তাৰ পিছতে বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানটি শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰমুখ্যে অভ্যাগত অতিথি সকলে। ইয়াৰ সমান্তৰালভাৱে অসমবাসীৰ প্ৰাণৰ শিল্পী অকালতে বিয়োগ ঘটা শ্ৰদ্ধাৰ জুবিন গাৰ্গ দেৱলৈ মহাবিদ্যালয় কৰ্তৃপক্ষ, ছাত্ৰ একতা সভা আৰু অভ্যাগত অতিথি সকলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই শোকস্তব্ধ পৰিৱেশৰ মাজতে পূৰ্বে নিৰ্ধাৰিত কৰি থোৱা সকলো সাংস্কৃতিক কাৰ্যসূচী বাতিল কৰি কেৱল মাত্ৰ নিয়মক সন্মান জনাই আনুষ্ঠানিক সভাখন অনুষ্ঠিত কৰা হয়। আৰু গোটেই অনুষ্ঠানটো মহান শিল্পীগৰাকীৰ নামত উৎসৰ্গা কৰা হয়। ইয়াৰ পিছতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা পিংকুমণি চৌধুৰীয়ে পৰিচালনা কৰা ভূপেন হাজৰিকা দেৱৰ 'অসম আমাৰ ৰূপহী' গীতটি সমৱেত সংগীত ৰূপে পৰিৱেশন কৰা হয়।

মহাবিদ্যালয়ৰ ছাত্ৰ উদ্ধৱ কলিতাই আঁত ধৰা সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দূৰ আৰু অনলাইন শিক্ষা কেন্দ্ৰৰ ড° দেৱহৰি তালুকদাৰ আৰু ব্ৰহ্মপুত্ৰ বিজ্ঞান বিদ্যালয়ৰ অধ্যক্ষ তথা বেজেৰা-শিঙৰাপাৰা জিলা পৰিষদৰ সদস্য কিৰণ কাকতি দেৱ। সভাৰ আৰম্ভণিতে আদৰণি ভাষণ আগবঢ়ায় মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক কনচেং গগৈয়ে। তাৰ পিছতে নৱাগত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি ভাষণ আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভাস্কৰজ্যোতি হাজৰিকাই। ইয়াৰ পিছতে মহাবিদ্যালয়ৰ ছাত্ৰ বাস্তৱ বৰুৱাই জুবিন গাৰ্গৰ দুটি গীত পৰিৱেশন কৰি সকলোকে আৱেগিক কৰি তোলে। তাৰ পিছতে নিমন্ত্ৰিত অতিথি কিৰণ কাকতি দেৱে ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি কয় কিতাপ পঢ়ি জীৱনক আগুৱাই নিব লাগে আৰু ভাষণ শুনাৰ অভ্যাস কৰিব লাগে, কাৰণ এটা ভাষণ শুনাৰ জৰিয়তে বহু কিতাপৰ সমল একেলগে আয়ত্ত কৰিব পৰা যায়। ইয়াৰ পিছতে মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলে বক্তব্য আগবঢ়ায়। এই অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অহা বিশিষ্ট অতিথি ড° দেৱহৰি তালুকদাৰে শিক্ষক, ছাত্ৰ-ছাত্ৰী সকলোকে উদ্দেশ্যি এক দীঘলীয়া বক্তব্য আগবঢ়ায়। তেওঁ বক্তব্যৰ মাজেৰে কয় যে আমি অভিযোগ কৰি অহা এটা বিষয় হৈছে বৰ্তমান নৱপ্ৰজন্মই কোনো ধৰণৰ ভাষণ শুনিব নিবিচাৰে। ই একেবাৰে ভ্ৰান্ত ধাৰণা। ইয়াৰ উদাহৰণ জুবিন গাৰ্গৰ মৃত্যুৱে আমাক শিকাই থৈ গ'ল। সকলোৱে অনুভৱ কৰিলে তেওঁৰ প্ৰতি নৱপ্ৰজন্মই কিয় ইমান আকৃষ্ট হৈছিল। আঁচল কথা আমি আমাৰ ভেটি সদৃশ সংস্কৃতিক সম্বল হিচাপে লৈ সময়ৰ গতিত আগবাঢ়ি, নৱপ্ৰজন্মৰ মনৰ মাজত থকা ৰসখিনিক আহৰণ কৰি নৱপ্ৰজন্মৰ সৈতে আগুৱাই যাব লাগিব। ইয়াৰ উপৰিও তেখেতে ছাত্ৰ-ছাত্ৰীসকলক বহুখিনি আশীৰ্বাদ সূচক উপদেশ দিয়ে। সভাখনৰ মাজে মাজে মহাবিদ্যালয়ৰ কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰী ক্ৰমে হৰ্ষিতা শইকীয়া, নাজমিন চুলতানা, মফিদুৰ ৰহমানে গীত পৰিৱেশন আৰু দিম্পী দাসে কবিতা আবৃত্তি কৰে। এই সভাখনৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যোৱা বিভিন্ন প্ৰতিযোগিতাৰ পুৰস্কাৰ সমূহ বিতৰণ কৰা হয়। পুৰস্কাৰ বিতৰণী অনুষ্ঠানটো পৰিচালনা কৰে মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড° বনিমা তালুকদাৰে। নৃতত্ব বিভাগৰ স্নাতক পৰ্যায়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম শাখাৰ অষ্টম স্থান পাবলৈ সক্ষম হোৱা প্ৰাৰ্থনা বৰা আৰু কলা শাখাত উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ভিতৰতে সৰ্বাধিক নম্বৰ পাবলৈ সক্ষম হোৱা ৰাজনীতি বিজ্ঞানৰ ছাত্ৰী ধৰিত্ৰী শৰ্মা তথা বিজ্ঞান শাখাত সৰ্বাধিক নম্বৰ লাভ কৰা জীৱবিদ্যা বিভাগৰ ছাত্ৰী পৰিণীতা গোস্বামীক মহাবিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ লগতে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ পৰা বিশেষভাৱে গ্ৰন্থ অধ্যয়ন কৰোতা তথা ব্যৱহাৰ কৰোতা ছাত্ৰ-ছাত্ৰীসকলক বিশেষ পুৰস্কাৰ প্ৰদান কৰা হয়। শেষত মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ সভাপতি প্ৰণয় শইকীয়াই তেওঁৰ ভাষণত সভাখন সুচাৰুৰূপে হৈ যোৱাত সহায় কৰা বাবে সকলোকে ধন্যবাদ জনাই সভা ভংগ ঘোষণা কৰে।

# শুৱালকুছি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ দখলত



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** শুৱালকুছি বুদৰাম-মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সভাপতি উপ-সভাপতি সম্পাদককে ধৰি দহটিকৈ গুৰুত্বপূৰ্ণ পদ অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ সাফল্যত আনন্দৰ জোৱাৰ উঠে। মহাবিদ্যালয়ৰ অনুষ্ঠিত সাধাৰণ নিৰ্বাচনত সভাপতিৰ পদত কুলদ্বীপ দাস, উপ-সভাপতিৰ পদত সমৰজ্যোতি কলিতা, সাধাৰণ সম্পাদক নীলকমল কলিতা, সহকাৰী সাধাৰণ সম্পাদীকা চিম্পী দাস, সাংস্কৃতিক সম্পাদিকা অভিলেখা ডেকা, খেল বিভাগৰ সম্পাদক বিকাশ দাস, তৰ্ক বিভাগত প্ৰাণজ্যোতি ৰাজকোঁৱৰ, সাহিত্য আৰু ফাইন আৰ্টচৰ ধনজ্যোতি কুমাৰ, ছাত্ৰী জিৰণী চৰাৰ পাহী কলিতাই বিজয় সাব্যস্ত কৰে। নৱ নিৰ্বাচিত ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলে জয়লাভৰ পিছত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ জয়ধ্বনি দি গাঁৱত সমদল কৰি ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ আঁঠু লৈ পৰৱৰ্তী দিনৰ উজ্বল ভৱিষ্যত কামনা কৰে। ইফালে শুৱালকুছি বুদৰাম-মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ বৃহৎ সাফল্যত বিজেপিৰ শুৱালকুছি মণ্ডলে শুভেচ্ছা জ্ঞাপন কৰে।

# তেজপুৰত জনতা দলৰ মুখ্য কাৰ্যালয়টি পুনৰ নিৰ্মাণৰে মুকলি

## প্ৰয়াত সাংসদ ড° পূৰ্ণ নাৰায়ণ সিংহৰ বিশ লাখ ব্যয়েৰে প্ৰতিমূৰ্তি স্থাপনৰ ঘোষণা




**চন্দন শৰ্মা, তেজপুৰ ঃ** পবিত্ৰ কাতি বিহুৰ পৱিত্ৰ দিনটোতে তেজপুৰৰ সাংসদ প্ৰয়াত ড° পূৰ্ণ নাৰায়ণ সিংহৰ ওপজা দিনৰ লগত সংগতি ৰাখি তেজপুৰৰ গণেশ ঘাট ৱাৰ্ড নং আঠৰ সমীপত তেখেতৰ জনতা দলৰ মুখ্য কাৰ্যালয়টো পুৰণি অৱস্থাৰ পৰা পুনৰ নিৰ্মাণ কৰি ৰাইজৰ সহযোগত সাংসদ গৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনৰে মাল্যাৰ্পণ কৰি তেখেতৰ সপোন বাস্তৱায়িত কৰা হয়। বন্তি প্ৰজ্বলক হিচাপে উপস্থিত থাকে তেজপুৰ সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক দেৱব্ৰত শৰ্মা। সাংসদ গৰাকীৰ জীয়াৰী তথা বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ লগত মিত্ৰতা কৰা জনতা দলৰ ৰাজ্যিক উপ-সভানেত্ৰী ৰঞ্জীতা সিংহ দত্ত, বোৱাৰী তথা জনতা দলৰ শোণিতপুৰ জিলাৰ মহিলা মৰ্চাৰ সভানেত্ৰী মনিষা বৰা সিংহ, সু-পুত্ৰ তথা মহাজাতি টুৱেন্টি ফ'ৰ লাইভৰ স্বত্বাধিকাৰ ড° পৰশমণি সিংহৰ লগতে ৰাইজৰ পৰামৰ্শৰে উক্ত কাৰ্যালয়টো পুনৰ নিৰ্মাণ কৰিবলৈ সক্ষম হয়। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে বিশিষ্ট কবি সাহিত্যিক নৰহৰি চুতীয়া, বিশিষ্ট সমাজসেৱিকা প্ৰভা বৰা, জ্যোতি হাজৰিকা, মনি দেৱী, সন্ধ্যা দাস গুপ্তা, তেজপুৰ মহাবিদ্যালয়ৰ সংগীত প্ৰশিক্ষক বিনাপানী দেৱী, বিশিষ্ট সমাজসেৱিকা তৃপ্তি বৰদলৈ, সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা উজনি-মধ্য আৰু সদস্য কোচ ৰাজবংশী উন্নয়ন পৰিষদ, অসম চৰকাৰৰ সভাপতি বিক্ৰম দাস, শিক্ষক অচিন্ত হাজৰিকা, বিশিষ্ট সমাজ কৰ্মী তথা শোণিতপুৰ জিলা সাংস্কৃতিক ঐক্য মঞ্চৰ সভাপতি দিপেন শইকীয়া, সমাজসেৱিকা নৱনিতা বৰা হাজৰিকা, সমাজকৰ্মী চিদা হাজৰিকা, জনতা দলৰ সদস্যা জোনালী বৰা দাসৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। প্ৰয়াত সাংসদ ড° পূৰ্ণ নাৰায়ণ সিংহৰ বিশ লাখ টকাৰ ব্যয়ৰে প্ৰতিমূৰ্তি স্থাপন কৰাৰো ঘোষণা কৰে সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা উজনি-মধ্য আৰু সদস্য কোচ ৰাজবংশী উন্নয়ন পৰিষদ, অসম চৰকাৰৰ সভাপতি বিক্ৰম দাসে।

# আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থ 'সৰ্পবান্ধৱ সৌৰভ বৰকটকী টীম'ৰ সৈতে যুক্ত




**চন্দন শৰ্মা, তেজপুৰ ঃ** শোণিতপুৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থই বাটেদি গৈ থকা অৱস্থাত তেওঁৰ এজন সহকৰ্মী আৰক্ষীয়ে ৰাস্তাত এটা কাছ প্ৰত্যক্ষ কৰে। সহকৰ্মীজনে কাছটো সুকলমে উঠাই আনি আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থৰ ওচৰত লৈ আনে। ইয়াৰ পিছতে বৰুণ পুৰকায়স্থই কাছটো সুৰক্ষিত স্থানত ৰখাৰ বাবে সৰ্প বিশেষজ্ঞ অধ্যাপক সৌৰভ বৰকটকীৰ লগত যোগাযোগ কৰে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও বৰুণ পুৰকায়স্থই সৰ্পবান্ধৱ সৌৰভ বৰকটকীৰ লগত সহযোগিতাৰে বন্যপ্ৰাণী উদ্ধাৰৰ লগতে অন্যান্য প্ৰকৃতিমূলক কামত প্ৰায় ব্যস্ত থাকে। আৰক্ষী অধীক্ষকৰ গধুৰ দায়িত্ব গ্ৰহণ কৰি থকাৰ পিছতো বৰুণ পুৰকায়স্থই আজৰি সময়ত সৰ্প উদ্ধাৰৰ ভিন্ন কামত অসমৰ সৰ্ববৃহৎ সৰ্প উদ্ধাৰকাৰী দল হিচাপে পৰিচিত 'সৰ্পবান্ধৱ সৌৰভ বৰকটকী টীম'ৰ সৈতে যুক্ত হৈ থকা পৰিলক্ষিত হয়। ইয়াৰ উদাহৰণ স্বৰূপে কাছটো উদ্ধাৰৰ পিছতেই টীমৰ মুখ্য উপদেষ্টা অধ্যাপক সৌৰভ বৰকটকীক কাছটো অৰ্পণ কৰে। বৰকটকীয়ে সহকৰ্মীৰ লগত কাছটো নি তেজপুৰৰ চিত্ৰলেখা উদ্যানৰ পুখুৰীত মুকলি কৰে। ইয়াৰ লগে লগে বৰকটকীয়ে চিত্ৰলেখা উদ্যানৰ পুখুৰীত এতিয়ালৈকে ৪৪ টা কাছ মুকলি কৰিবলৈ সক্ষম হয়। সাম্প্ৰতিক সময়ত কাছৰ সংখ্যা ৫০০ ৰ পৰা হ্ৰাস পাই ৩০০ মানহে আছেগৈ। ইতিমধ্যে দুষ্কৃতিকাৰীৰ দ্বাৰা বহুসংখ্যক কাছৰ মৃত্যু হৈছে। পৃথিৱীৰ প্ৰাচীনতম প্ৰাণীসমূহৰ অন্যতম কাছ। পৃথিৱীৰ পৰা কেইবা প্ৰকাৰৰ জীৱ-জন্তু এতিয়ালৈকে বিলুপ্তি হৈছে। বিলুপ্তিৰ দিশে অগ্ৰসৰ হোৱা জীৱ-জন্তুৰ ভিতৰত এতিয়া কাছৰ নামো আহি পৰিছে। অসমৰ প্ৰাকৃতিক পৰিৱেশ কাছৰ বাবে উপযোগী যদিও জীৱ শ্ৰেষ্ঠ মানৱৰ নিষ্ঠুৰতা, কৃষি ক্ষেত্ৰত অনিয়ন্ত্ৰিত কীট নাশক, বিহ প্ৰয়োগে, অবাধ বন ধ্বংস আদিৰ বাবে প্ৰাণীবিধ নিচিহ্ন হ'বলৈ গৈ আছে। উল্লেখযোগ্য যে ৰাজ্যখনতৰ নদ-নদী, জলাশয়, পিটনি আদিত থকা কাছ বাৰিষা প্ৰজনন বা কণী পাৰিবলৈ পাৰলৈ উঠি আহে। তেনে সময়তে একাংশ চোৰাং চিকাৰীয়ে কাছ ধৰি বিভিন্ন স্থানত বিক্ৰী কৰাৰ লগতে বহিঃৰাজ্যলৈও চালান দি আহিছে। বহিঃৰাজ্যত কাছৰ মাংসৰ উপৰিও কাছৰ ওপৰৰ খোলাটোও বিক্ৰী হয়। এনে পৰিস্থিতিত আৰক্ষী অধীক্ষক গৰাকীয়ে লোৱা এই পদক্ষেপক প্ৰসংশনীয়।

# দীপাৱলী ঃ পৰম্পৰা আৰু আধ্যাত্মিক তাৎপৰ্য

■ **ললিত নাথ**
ইটাখোলা

বৃহদাৰণ্যক উপনিষদৰ শান্তি মন্ত্ৰ

অসতো মা সৎ গময়। তমসো মা জ্যোৰ্তিগময়।

মৃত্যুৰ্মা অমৃতংগময়।। ওঁম শান্তি।। ওঁম শান্তি।।

এটা গভীৰ আধ্যাত্মিক প্ৰাৰ্থনা। ইয়াত মানুহৰ সৰ্বোচ্চ আকাংক্ষা-অসত্যৰ পৰা সত্যলৈ, অজ্ঞানতাৰ অন্ধকাৰৰ পৰা জ্ঞানৰ পোহৰলৈ আৰু মৃত্যুৰ বন্ধনৰ পৰা মুক্তিৰ দিশে যাত্ৰাৰ প্ৰাৰ্থনা কৰা হৈছে। "শান্তি শান্তি শান্তি"ৰ তিনিবাৰ পুনৰাবৃত্তিয়ে আধিদৈৱিক, আধিভৌতিক আৰু আধ্যাত্মিক তাপৰ পৰা শান্তিৰ কামনা কৰে।

এই মহামন্ত্ৰৰে সমুজ্জ্বল দীপাৱলীয়ে যুগে যুগে মানুহৰ মনৰ আন্ধাৰ দূৰ কৰি প্ৰজ্ঞাৰ চাকিগছি জ্বলাই ৰাখিছে। কাতি মাহৰ কৃষ্ণা ত্ৰয়োদশীৰ দিনা ধনতেৰস বা ধন ত্ৰয়োদশী অনুষ্ঠানৰ পৰা দ্বিতীয়া তিথিৰ ভাইফোঁটা অনুষ্ঠানত এই উৎসৱৰ পৰিসমাপ্তি ঘটে। দীপাৱলীক দেৱালী, দীপান্বিতা, দীপালিকা, সুখৰাত্ৰি, সুখসুপ্তিকা আৰু যক্ষৰাত্ৰি নামেও জনা যায়। ভাৰতীয়সকলে অতীজৰে পৰা দীপান্বিতা বা দীপাৱলী হৰ্ষোল্লাসেৰে পালন কৰি আহিছে। পশ্চিম আৰু উত্তৰ ভাৰতত লক্ষ্মীপূজা আৰু পশ্চিমবঙ্গ, অসম, উৰিষ্যাত এই দিনটো কালিপূজা হিচাপেও উদ্‌যাপন কৰা হয়।

ভাৰতবৰ্ষৰ উপৰিও নেপাল, শ্ৰীলংকা, ম্যানমাৰ, মৰিছাছ, মালয়েচিয়া আদি দেশত এই উৎসৱ পালন কৰা হয়। ঠাইভেদে এই উৎসৱৰ মাহাত্ম্য ভিন ভিন হ'লেও মূল উদ্দেশ্য এটাই- আধ্যাত্মিকতাৰ গভীৰ দৰ্শনত আত্মাক প্ৰজ্বলিত কৰি শুদ্ধচিত্তে পৰমব্ৰহ্মত লীন যোৱা। দুৰ্গা পূজাৰ বিজয়া দশমীৰ বিষাদভৰা মন দীপাৱলীত আনন্দৰে ভৰি পৰে।

এইদিনা হিন্দুসকলে তেওঁলোকৰ খেতি পথাৰত, ঘৰৰ পদূলিত কলপুলি পুতি মাটি চাকি প্ৰজ্বলন কৰে। অৱশ্যে আজিকালি মাটি চাকিৰ উপৰিও মমবাতি, অত্যাধুনিক ভিন্নৰঙী বৈদ্যুতিন আলোকসজ্জাৰে সমস্ত ঘৰ-দুৱাৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানবোৰ দৃষ্টিনন্দন ৰূপত সজ্জিত কৰি তোলা হয়। নানাৰঙী ফুলজাৰি, আতচবাজী, ৰকেট বম, কল গছ আদিৰ শব্দই এক ধ্বনিময় পৰিৱেশৰ সৃষ্টি কৰে। এক সৌহাদ্যপূৰ্ণ পৰিৱেশত বন্ধু-বান্ধৱসকলক উপহাৰ দিয়া, মিঠাই খুওৱা, প্ৰীতি আৰু শুভেচ্ছা জ্ঞাপন কৰা হয়।

শ্ৰীমদ্ভাগৱত, কালিকাপুৰাণ, ৰামায়ণ, মহাভাৰত আদি বিভিন্ন গ্ৰন্থত দিপান্বিতাৰ উৎপত্তি সম্পৰ্কে বহুতো লোককাহিনী পোৱা যায়। কালিকা পূৰাণৰ মতে এসময়ত সুম্ভ আৰু নিসুম্ভ নামৰ দুটা অসুৰে স্বৰ্গ আৰু মৰ্ত্যত আক্ৰমণ কৰি দেৱতাসকলক অতিষ্ঠ কৰি তুলিছিল। সেই অসুৰদ্বয়ক সংহাৰ কৰিবৰ বাবে দেৱতাসকলে মা দুৰ্গাক প্ৰাৰ্থনা কৰিছিল। মহামায়াই তেতিয়া মা কালীৰ ৰূপ ধৰি অসুৰবোৰ নিধন কৰি ৰক্তপান কৰিছিল। মৃত অসুৰ বিলাকৰ মুণ্ডৰ মালা পৰিধান কৰি মা কালী উন্মত্ত হৈ পৰিছিল। মা কালীক শান্ত কৰিবলৈকে মহাদেৱ তেওঁৰ পথত শুই পৰিছিল। স্বামীৰ বক্ষস্থলত ভৰি পৰাৰ লগে লগে দেৱীৰ ক্ৰোধাগ্নি নিৰ্বাপিত হৈ শান্ত হৈ পৰিল। তেতিয়া অনুশোচনাত মা কালীৰ জিভা ওলাই পৰিছিল। মা কালীৰ এই ৰূপকেই পূজা কৰা হয়। শক্তিৰ আৰাধনাত মা কালীৰ পূজা কৰা হৈছিল এই দীপান্বিতাতে।

আন এক লোককাহিনী অনুসৰি ৰামে চৈধ্য বছৰ বনবাস কটাই সীতা আৰু লক্ষ্মনৰ সৈতে অযোধ্যালৈ ঘূৰি আহিছিল। ৰামে ৰাৱণক বধ কৰি অযোধ্যালৈ ঘূৰি অহাৰ বিজয়ৰ প্ৰতিৰূপ হিচাপে দীপান্বিতা উদ্‌যাপন কৰা হৈছিল।

ৰামৰ ৰাজ্যভিষেকৰ বাবে প্ৰজাসকলে সমগ্ৰ অযোধ্যা নগৰীতে শাৰী শাৰী চাকি-বন্তি জ্বলাই আলোকিত কৰি তুলিছিল। তেতিয়াৰ পৰাই ভাৰতবৰ্ষত দীপাৱলীৰ প্ৰচলন হয় বুলি বিশ্বাস কৰা হয়।

মহাভাৰতৰ মতে ভূদেৱী আৰু বৰাহৰ পুত্ৰ নৰকাসুৰে ব্ৰহ্মাৰ পৰা বৰ পাই অত্যন্ত শক্তিশালী হৈ তিনিও লোকতে ত্ৰাসৰ সৃষ্টি কৰিছিল। এবাৰ প্ৰৱলপ্ৰতাপী ৰজা নৰকাসুৰে ১৬০০০ নাৰীক অপহৰণ কৰি আনি বন্দী কৰি থৈছিল। কৰ্মৰ ফলত আতংকিত হৈ দেৱতাসকলে ভগৱান বিষ্ণুৰ ওচৰত পৰিত্ৰাণৰ বাবে প্ৰাৰ্থনা কৰিলে। ভগৱান বিষ্ণুয়ে কৃষ্ণ অৱতাৰ লৈ কাতি মাহৰ চতুৰ্দশী তিথিৰ দিনা নৰকাসুৰৰ শিৰশ্চেদ কৰি বন্দী নাৰীসকলক উদ্ধাৰ কৰিছিল। এই দিনটো চাকি-বন্তি জ্বলাই বিজয় উৎসৱ উদ্‌যাপন কৰাৰ পৰাই দীপাৱলী হিচাপে প্ৰচলিত হ'ল।

শ্ৰীমদ্ভাগৱতৰ অষ্টমস্কন্ধত উল্লেখিত আখ্যান মতে দুৰ্বাসা ঋষিয়ে দেৱৰাজ ইন্দ্ৰক অভিশাপ দিয়াত তেওঁ লক্ষ্মীভ্ৰষ্ট হৈ প্ৰতিপত্তি শূন্য হৈ পৰিছিল। তিনিও লোকক লক্ষ্মী দেৱীয়ে এৰা দিয়াত দুৰ্ভিক্ষ আৰু মাৰিমৰকে দেখা দিছিল।

মনুষ্যসকলে ব্ৰত, বিধি, যাগ-যজ্ঞাদি কৰিবলৈ এৰি দিছিল। দেৱতাসকলেও নিৰাহাৰে দিন কটাব লগাত পৰিছিল। দেৱতাসকলৰ এই দুৰ্বলতাৰ সুযোগ লৈ অসুৰবোৰে স্বৰ্গৰাজ্যত আক্ৰমণ চলাই অমৰাৱতীৰ ধন-সম্পত্তি, ঐশ্বৰ্য-ভোগ সকলো লুটি-পুটি উচ্ছন্ন কৰিলে। পৰিত্ৰাণৰ উপায় বিচাৰি দেৱতাসকল ব্ৰহ্মাৰ সহিতে বৈকুণ্ঠপুৰী পালেগৈ। তেতিয়া বিষ্ণুৰ পৰামৰ্শ মানি শ্ৰীহীন দেৱগণে অসুৰৰ সৈতে সন্ধি স্থাপন কৰিলে। ইয়াৰ পাছত দেৱতা আৰু অসুৰ দুয়োপক্ষই একেলগে বাসুকী নাগৰ জৰীৰে সাগৰ মন্থন কৰিলে। সাগৰ মন্থন কৰি থাকোঁতে থাকোঁতে তাৰ পৰা হলাহল বিষ ওলাই আহিল। প্ৰলয়ৰ বহ্নিয়ে চৌদিশ ছানি পেলালে। দেৱাদিদেৱ মহাদৰে সেই হলাহল পান কৰি নীলকণ্ঠ হৈ পৰিল। এই ঘোৰ সংকটৰ পাছত সমুদ্ৰ মন্থনৰ পৰা কামধেনু, উচ্চৈঃশ্ৰবা নামৰ এটি ঘোঁৰা, ঐৰাৱত নামৰ এটা হাতী, পাৰিজাত বৃক্ষ, কৌস্তুভ মণি, দিব্য অলংকাৰ, অভয়দাত্ৰী জগৎধাত্ৰী লক্ষ্মী দেৱী আৰু দেৱতাসকলৰ চিকিৎসক ধনন্তৰীৰ আবিৰ্ভাৱ হ'ল। লক্ষ্মীদেৱীয়ে অমৃতদৃষ্টি কৰাৰ লগে লগেই তেওঁলোকৰ দুখ-দুৰ্দশা দূৰ হৈ গ'ল আৰু নৱজীৱন লাভ কৰিলে। দেৱতাসকল দুৰ্বাসাৰ সাপৰ পৰা মুক্ত হ'ল। অসুৰৰ সহায়ত সাগৰ মন্থনৰ দ্বাৰা লক্ষ্মী দেৱীক লাভ কৰাৰ পৰাই লক্ষ্মী পূজা চলি আহিছে।

কাতিমাহৰ ত্ৰয়োদশী তিথিৰ দিনা সোণ, ৰূপৰ গহণা, বাচন-বৰ্তন কিনাৰ এক ৰীতি প্ৰচলিত হৈ আহিছে। পুৰাণৰ মতে স্বৰ্গৰ চিকিৎসক ধনন্তৰিৰ জন্মজয়ন্তী হিচাপে এই দিনটো পালন কৰা হয়। সেয়েহে এই দিনটোত ঘৰৰ চোতালত তুলসীৰ তলত চাকি-বন্তি জ্বলাই সভক্তিৰে তুলসী পূজা কৰা হয়।

অন্য এক কাহিনী মতে প্ৰজাবাৎসল্য ৰজা হিমাৰ পুত্ৰৰ কোষ্ঠীত লিখা আছিল যে তেওঁৰ বিবাহৰ চতুৰ্থদিনা সৰ্প দংশনত মৃত্যু হ'ব। ৰাজপুত্ৰৰ স্ত্ৰীয়ে সেইদিনা ৰাতি আ-অলংকাৰ, স্বৰ্ণমুদ্ৰা দুৱাৰমুখত জমা কৰি ৰাখি হাজাৰগছি বন্তি জ্বলাই চাৰিওফালে আলোকিত কৰি ৰাখিলে। যথা সময়ত যম আহি শয়নকক্ষত সোমাবলৈ চেষ্টা কৰোঁতে সোণ-ৰূপৰ অলংকাৰ আৰু পোহৰৰ চমকনিয়ে যমৰ চকু চাৎ মাৰি ধৰিলে। বহু অপেক্ষাৰ অন্তত তেওঁ উলটি যাবলৈ বাধ্য হ'ল। ৰজাৰ বধুয়ে তেওঁৰ স্বামীৰ জীৱন বচাই তুলিলে।



সেইবাবেই এই দিনটোক 'ধনতেৰাচ' উৎসৱ বুলিও জনা যায়। ধনতেৰাচ গৃহস্থৰ বাবে মংগলময় আৰু এক আনন্দময় উৎসৱ। ঘৰ-দুৱাৰ ৰং কৰা, ঘৰলৈ সোমোৱা প্ৰৱেশ পথ ৰং-বিৰঙি আল্পনাৰে সুন্দৰকৈ সজোৱা হয়। প্ৰৱেশ পথত দেৱীৰ পদচিহ্ন অঁকা হয়। প্ৰচলিত বিশ্বাস অনুযায়ী লক্ষ্মী দেৱীৰ কৃপাতে পূৰ্ণ হয় কৃষকৰ ভঁৰাল।

দিপান্বিতাই মানুহৰ মনলৈ মুগ্ধতা আনে, আনে শুদ্ধতা। শংকা, সংশয়, দ্বিধাৰ কুঁৱলী আঁতৰাই চিত্তক প্ৰসন্ন কৰে। আধ্যাত্মিক আচাৰ ৰীতি, লোকাচাৰ, খাদ্যাভাস, সাজ-পোছাক আদিয়ে আমাৰ জাতীয় চৈতন্যক উজ্জীৱিত কৰি সাংস্কৃতিক বোধক চিৰ জাগৰুক কৰি ৰাখে। গীতাতো শ্ৰীকৃষ্ণই কৈছে,

'বিহায় কামান্য: সৰ্বান্ পুমাংশ্চৰতি নি:স্পৃহ:।
নিৰ্মমো নিৰহঙ্কাৰ: স শান্তিমধিগচ্ছতি।।'

অৰ্থাৎ যি ব্যক্তিয়ে সকলো কামনা-বাসনা ত্যাগ কৰে, নি:স্পৃহ হৈ জীৱন যাপন কৰে, যাৰ মমতা আৰু অহংকাৰ নাই, তেওঁ শান্তি লাভ কৰে।

দীপাৱলী কেৱল এক উৎসৱ নহয়, ই মানৱ মনৰ অজ্ঞানতাৰ অন্ধকাৰ দূৰ কৰি জ্ঞান আৰু শান্তিৰ পোহৰ জ্বলোৱাৰ এক আধ্যাত্মিক যাত্ৰা। এই পৰ্বই আমাক সত্যৰ সন্ধানত পথ প্ৰদৰ্শন কৰে আৰু সৌহাদ্য, ঐক্য আৰু সাংস্কৃতিক চেতনাৰ জৰিয়তে জাতীয় ঐতিহ্যক সমৃদ্ধ কৰে। গীতাৰ বাণীৰ দৰে, কামনা-বাসনাৰ পৰা মুক্ত হৈ নি:স্পৃহ জীৱনৰ মাধ্যমেৰে আমি প্ৰকৃত শান্তি লাভ কৰিব পাৰোঁ। দীপাৱলীৰ এই পৱিত্ৰ পোহৰে আমাৰ জীৱনক সদায় আলোকিত কৰি ৰাখক।

**ম'বাইল ঃ** ৯৯৫৪১-৩৯৪৯৩

# স্মাৰ্টফোন

■ **সবিতা বেগম**
বৰপেটা

**স**ৎ সংগয় স্বৰ্গ বাস, অসৎ সংগয় নৰক বাস। কথাষাৰ একেবাৰেই সত্য, ডাঙৰ ল'ৰা ৰমেশৰ লিখা পঢ়াত খুবেই ভাল, ডক্টৰ হোৱাৰ সপোন, এইচ এছ পৰীক্ষাত প্ৰথম স্থান দুটাত লেটাৰসহ উৰ্ত্তীণ হ'ল। কলেজত যোৱাৰ পৰাই স্মাটফোনৰ খুবেই প্ৰয়োজন, ফোন লাগিবই লাগিব। ক'ত ইমান টকা দৰ্জাৰ সন্মুখত হাজাৰ সমস্যা সমস্যা। অসুস্থ দেউতাক ঘৰত, সৰু ভন্টি নমিতা ফেচবুক প্ৰেমিকৰ সতে পলাই গৈছিল বিয়াত বহিবলৈ কিন্তু প্ৰতাৰণা কৰি বিক্ৰী কৰিব লৈছিল কোনোমতে জীৱনটো উদ্ধাৰ.....। বিয়াৰ গহণা বিক্ৰী কৰি মাকে প্ৰয়োজন বুলি কিনি দিলে আই ফোন। হয়তো এদিন ল'ৰাটো ডাঙৰ মানুহ হ'ব বুলি। হয়তো সিদিনা আৰু কোনো দুঃখ কষ্ট নাথাকিব.....।

ভালেই চলিল বছৰ ছয়মাহ। এতিয়া ল'ৰাটো কাৰো লগত বেছি কথা নকয় মন মাৰি থাকে, যেন খুবেই অসুস্থ, দামী আই ফোনটো হাতত নাই, হাতত পুৰণি মোবাইল ফোন এটা। ঘৰৰ টকা পইচা বয় বস্তু চোৰ কৰি বিক্ৰী কৰি দিয়ে, গোটেই ৰাতি বন্ধু-বান্ধবৰ সৈতে বাহিৰত থাকে। মাকে এদিন বিছনাত ড্ৰাগছ, মদৰ বটল.... আদি পালে মাজে সময়ে বিড়ি, চিগাৰেট খাবলৈ দেখা পোৱা যায়, কিবা ক'লে বন্ধু বৰ্গক দেখুওৱায়। মাকে পূৰ্ণিমাৰ জোনৰ আশাত অমাৱস্যাত লুতুৰি পৰিলে....। অৱশেষত জানিব পাৰিলে প্ৰেমৰ পৰিণতি, ছলনাময়ীৰ ফান্দত পৰি বিশ্বাস কৰি আপোন ভাবি জীৱনৰ আশাৰ বাতি নুমাই, ৰঙা বাতি হে জ্বলালে, ছোৱালীজনী বোলে বেলেগ ল'ৰা এটাক ভাল পায়, টকা-পইচা লুটি-পুটি খাই এতিয়া যোগাযোগ বন্ধ কৰি দিছে। ছোৱালী এজনীক বহুত বহুত ভাল পাইছিল সেয়ে পাহৰিবলৈ মাদক সেৱন এতিয়া অভ্যাসত পৰিণত অসহ্যত এতিয়া জীৱনৰ ঘন্টা বাজি গ'ল।

ডক্টৰৰ ওচৰত লৈ যোৱাত ভিন্ন পৰিক্ষাৰ জৰিয়তে জানিব পৰা গ'ল অত্যন্ত মাদক দ্ৰব্য সেৱনৰ ফলত কিডনী এটা নষ্ট হৈ গৈছে। ঘৰত যিখিনি সম্বল আছিল সকলোখিনি বিক্ৰী কৰি মেডিকেলত ভৰ্তি কৰালে অলপ সুস্থ হ'ল যদিও কপালে পিছ এৰি নিদিলে, নতুন মায়াবিনী আকৌ দ্বিভাগ ৰাতি দৰ্জা খটখটালে ফেচবুকত, প্ৰেমৰ জাল পাতি আৰব্ধ কৰিলে মায়াত। ছমাহমান পাছত প্ৰেমৰ ছলনা কৰি টানি নি কু-কৰ্মত লিপ্ত কৰালে আৰু কেইমাহমান পাছতে অন্তঃসত্বা বুলি অধিকাৰৰ দাবী জনালে, মান্তি নোহোৱাত পুলিচ লৈ আহি দহ লাখ টকাৰ দাবী জনালে, ৰমেশ মান্তি নোহোৱাত ধৰি লৈ জেলত বন্দী কৰিলে.....। অৱশেষত জানিব পৰা গ'ল ছোৱালী জনী ডিভোৰ্চী দুটি সন্তানৰ মাক মধু চক্ৰৰ সৈতে জড়িত.....।

**ম'বাইল ঃ** ৯৩৬৫৮-৯১৩৩১

# নগাঁৱত ভোগেশ্বৰ বৰুৱালৈ আনন্দৰাম ঢেকিয়াল ফুকন ২০২৫ বৰ্ষৰ বটাঁ প্ৰদান

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁৱৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ প্ৰশমন বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই আনুষ্ঠানিকভাৱে অৰ্জুন ভোগেশ্বৰ বৰুৱালৈ চলিত বৰ্ষৰ আনন্দৰাম ঢেকিয়াল ফুকন বঁটা প্ৰদান কৰে। মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি মন্ত্ৰী কেশৱ মহন্তই মহাবিদ্যালয়খনে বিগত বৰ্ষ সমূহৰ দৰে এইবাৰো এগৰাকী প্ৰবীণ ক্ৰীড়াবিদ তথা বৰেণ্য ব্যক্তি ভোগেশ্বৰ বৰুৱালৈ এই বঁটা আগবঢ়োৱা কাৰ্য প্ৰশংসনীয় পদক্ষেপ বুলি অভিহিত কৰে। ভাষণ প্ৰসঙ্গতে মন্ত্ৰী গৰাকীয়ে মহাবিদ্যালয়খনলৈ ১০ টা কম্পিউটাৰ আগবঢ়াব বুলি ঘোষণা কৰে। এই বটাঁ প্ৰদান অনুষ্ঠানৰ লগত সংগতি ৰাখি আনন্দৰাম ঢেকিয়াল ফুকন স্মাৰক বক্তৃতা প্ৰদান কৰে বিশিষ্ট লোক-সংস্কৃতিবিদ ড° অনিল শইকীয়াই। এই বটাঁ প্ৰদান অনুষ্ঠানৰ আৰম্ভণিত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সদানন্দ পায়েং আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানতে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে নগাঁৱৰ বিধায়ক ৰূপক শৰ্মা। উল্লেখ্য যে- বিশেষ কাৰণবশতঃ উক্ত বঁটাটো গ্ৰহণ কৰে অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ পুত্ৰ মোহন মাধৱ বৰুৱাই।

# মোৰ খং কিয় উঠে ?

■ বিতোপন গগৈ

**ভ**গৱান শ্ৰীকৃষ্ণৰ যে খং উঠিছিল— তেজপুৰত আহি 'হৰ'দেৱৰ লগত যুদ্ধ কৰিছিল; সকলোৱে জানো! মহাভাৰতৰ শান্তি স্থাপনৰ বাবে, দ্ৰৌপদীৰ বস্ত্ৰহৰণত কাপোৰ যোগান ধৰি নাইবা বহু শত্ৰুক নিধন কৰোঁতে চক্ৰ ব্যৱহাৰ কি খঙৰ ফলশ্ৰুতি নহয়?? নিশ্চয় হয়!

মহাদেৱ শিৱই বৰদান কৰি ভক্তক সন্তুষ্ট কৰাৰ পিছত পৃথিৱী কঁপাই অসুৰে তেওঁৰ 'মাথাতে'ৰ পৰীক্ষণৰ কু-প্ৰচেষ্টাত কি খং নকৰিব? ক্ৰুছবিদ্ধ হৈও যীচুৱে ক্ষমা কৰি দিলে যদিও কি আত্মাই খং নকৰিব? হজৰত মহম্মদে নিজৰ আদৰ্শ প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে 'মিঠাই'ৰ লোভ এৰোঁতে কৰা কষ্টৰ বাবে কি খং উঠা নাছিল? গেলিলিওক 'বিহ' পান কৰাওঁতে কাষৰ-পাজৰৰ কোনো মানুহৰ কি খং উঠা নাছিল? উঠিছিল। কিন্তু প্ৰকাশ কৰিব পৰা নাছিল। তিল্‌তিল্‌কৈ কাৰাগাৰত যান্ত্ৰণা সহ্য কৰি জীৱনৰ ৰহস্য উদ্‌ঘাটনৰ জটিল সন্ধিক্ষণত ক্ৰোধ উজ্জীৱিত কৰি 'শকুনি' অমৰ হৈ থাকি 'প্ৰতিশোধ'ৰ খঙাল স্বৰূপ প্ৰতিপন্ন কৰোঁতে একো ভুল নাছিল।

মোৰ খং কিয় উঠে; সেই কথা ক'ম বুলি ভাবিছিলোঁ যদিও কিছু সংযমী হোৱাৰ চেষ্টা কৰিছোঁ।

টলষ্টয়ে ঘৈণীয়েকৰ তীব্ৰ খঙৰ জ্বালাত নিজৰ বহু লেখা জ্বলাই দিয়া কাৰ্য কি 'শান্তি'ৰ স্বাৰ্থত? বহু আন্দোলনৰ জন্মত লুকাই থকা সামাজিক পটভূমিত কি খঙৰ প্ৰয়োজন নাছিল? বিতৰ্কত যুক্তি আৰু আৱেগ সন্নিৱিষ্ট। ফলাফল শূন্য হ'লে কি খং নুঠিব?

ব্যাখ্যাৰ নিস্প্ৰয়োজন। সঠিক অনুসন্ধান আৰু সদিচ্ছাৰ প্ৰভাৱে সেউজীয়া পৃথিৱী সৃষ্টি কৰে। মৃত্যু চিৰন্তন সত্যৰ অন্যতম বেদনাবিধৌত প্ৰতিফলন। তৎস্বত্ত্বেও নিমাখিত পোক-পৰুৱাৰ যুক্তিপূৰ্ণ তথ্যছবিৰ দুৱাৰ মুকলি হ'ব মুক্ত আকাশত।

তেন্তে মোৰ কিয় খং নুঠিব; বিশেষ কথা প্ৰসঙ্গত? মই তাৰ বাবে কি একো ক'ব নোৱাৰিম? মোৰ তেজত কি 'হিম'গ্লবিন' নাই? জীৱনৰ কোনোবা দুৰ্বল ক্ষণৰ দোহাই দি সদায় বিশেষ অত্যাচাৰৰ বিহ অৱগাহন কৰিম? কোনো কাৰণত সেইয়া মোৰ বাবে সম্ভৱ নহয়। প্ৰতিবাদৰ ভাষা কেতিয়াবা চৰম নিম্ন পৰ্যায় পাবগৈ পাৰে। অৱশ্যে সেইয়া নিবিচাৰো। বিচাৰো এখন শান্তিৰ বিচৰণস্থলী। মমতা। মৰম-ভালপোৱাৰ পৃথিৱী।

**ম'বাইল ঃ** ৯৩৬৫১-৬৮৮০৬


# কাতিবিহুৰ পৰম্পৰা

■ **পংকজ শইকীয়া,** নগাঁও

'তুলসীৰ তলে তলে মৃগপহু চৰে!তাকে দেখি ৰামচন্দ্ৰই শৰধনু ধৰে।'

অসমীয়া জনজীৱনৰ অন্যতম গুৰুত্বপূৰ্ণ উৎসৱ হ'ল কাতিবিহু। কাতিবিহুৰ দিনা উল্লিখিত ধৰণে গীত পৰিৱেশন কৰা পৰম্পৰা নগাঁৱত চলি আহিছে। অসমৰ তিনিটা বিহু - কাতিবিহু, ব'হাগবিহু, মাঘবিহুৰ ভিতৰত কাতিবিহু অনাড়ম্বৰভাৱে পালন কৰা হয়। অনাড়ম্বৰভাৱে পালন কৰা হ'লেও কাতিবিহুৰ তাৎপৰ্য আৰু পৰম্পৰা সুকীয়া। অসমৰ প্ৰায় ৭০ শতাংশ লোক কৃষিৰ ওপৰত নিৰ্ভৰশীল। কৃষিকাৰ্যৰ লগত জড়িত এই কৃষিজীৱী লোকসকলে মূলতঃ শালিধানৰ খেতি কৰে। অৱশ্যে শাকপাচলিৰ লগতে আন খেতিও কৰে। শালিধানৰ খেতি কৰিলেও একাংশ কৃষক পৰিয়ালৰ সন্মুখত থাকে প্ৰত্যাহ্বান। শালিধানৰ শস্যৰে তেওঁলোকৰ বছৰটো ভালদৰে নচলে। কৃষকে আশা কৰা দৰে সাম্প্ৰতিক সময়ত শালিধানৰ উৎপাদন নহয়। ক্ৰমশঃ খেতিমাটিৰ উৰ্বৰা শক্তি দুৰ্বল হোৱাত প্ৰয়োগ কৰিব লগা হয় সাৰ। সাৰৰ দামবৃদ্ধিৰ বাবে দৰিদ্ৰ কৃষকে মাটিৰ উৰ্বৰা শক্তি বঢ়াবৰ বাবে সাৰ প্ৰয়োগ কৰিব নোৱাৰে। তদুপৰি খৰাং, বানপানী, পোক-পতংগৰ বাবেও কৃষকসকল আহুকালত পৰিবলগা হয়। বিভিন্ন কাৰণত একাংশ কৃষকে শালিধানৰ খেতি কৰাত অনিহা প্ৰকাশ কৰা দেখা যায়। যাৰ বাবে বহু পথাৰ উদং হৈ থাকে। বছৰৰ মাজভাগতে একাংশৰ ভড়াল খালী হৈ পৰে। বছৰৰ মাজভাগত আহে কাতিবিহু। এই সময়ত অসমীয়া মানুহৰ অধিকাংশৰে ভড়ালত ধান নাথাকে। অৰ্থাৎ কঙাল সদৃশ পৰিস্থিতিৰ সৃষ্টি হয়। এই সময়ত কাতিবিহু হয় বাবেই ইয়াক কঙালী বিহু বুলিও কোৱা হয়। সেয়ে এই বিহু অনাড়ম্বৰভাৱে পালন কৰা হয়। সাধাৰণতে এই বিহুৰ সময়ত পিঠা পনা, জলপান আদি গৃহস্থই প্ৰস্তুত কৰা দেখা নাযায়। তদুপৰি আন দুটা বিহুৰ দৰে কাতিবিহুত ঢোল, পেপাৰ শব্দ শুনা নাযায়। অসমৰ প্ৰতিটো বিহুৰ কৃষিকৰ্মৰ লগত এৰাব নোৱাৰা সম্পৰ্ক আছে। বিহু অসমীয়া সমাজৰ স্বাভিমান আৰু দাপোন। অসমীয়া জনজীৱনত কাতিবিহুৰ মহত্ব আৰু তাৎপৰ্য আছে। এই বিহু অনাড়ম্বৰভাৱে পালন কৰি আহিলেও কাতিবিহুৱে আমাৰ জীৱনলৈ কঢ়িয়াই আনে সম্ভাৱনা আৰু আশাৰ বতৰা। কাৰণ এই সময়ত আহাৰ, শাওন, ভাদমাহত পথাৰত ৰোপণ কৰা শালিধানে গেৰ ধৰে। পথাৰৰ লখিমী শস্য সম্ভাৱনা হৈ কৃষকলৈ লখিমী আগমণৰ দুৱাৰ মুকলি কৰি দিয়ে। ইয়াতেই কৃষকে লাভ কৰে অনাবিল আনন্দ। আহিন মাহৰ সংক্ৰান্তিৰ দিনা কাতিবিহু উদ্‌যাপন কৰা হয়। কিছু জনবিশ্বাসৰ ওপৰত ভিত্তি কৰি কাতিবিহু পালন কৰা হয়। আহিনৰ সংক্ৰান্তিৰ দিনা নিজৰ ঘৰৰ চোতালখন সুন্দৰভাৱে পৰিস্কাৰ কৰি তুলসী গছৰ পুলি ৰোপণ কৰে। তাৰপিছত তুলসী গছৰ পুলিৰ তলত চাকি বন্তি জ্বলাই তুলসী দেৱীৰ আশীৰ্বাদ বিচাৰি পূজা অৰ্চনা কৰে। এইয়া আমাৰ এক পৰম্পৰা হিচাপে চিহ্নিত হৈ আহিছে। গধূলি সময়ত পদুলি মুখত চাকি জ্বলোৱা হয়। উল্লেখ্য যে কাতিবিহুৰ লগত ভগৱান বিষ্ণুৰ পত্নী লক্ষ্মীদেৱীৰ এক সম্পৰ্ক আছে বুলি লোকবিশ্বাস চলি আহিছে। লক্ষ্মীদেৱীক তুলসী নামেৰেও জনা যায়। লক্ষ্মীদেৱী ঐশ্বৰ্য-বিভূতি, সম্পদৰ অধিকাৰিণী দেৱী। লক্ষ্মীদেৱীক পূজা কৰিলে মানুহৰ ঘৰ সমৃদ্ধিশালী হয় বুলি এক বিশ্বাস আছে। সেয়ে আহিনৰ সংক্ৰান্তিৰ দিনা লক্ষ্মীদেৱীকেই তুলসী ৰূপত পুজা কৰা হয়। তুলসীৰ কাষত বহি সেইদিনা গৃহস্থই গীত পৰিৱেশন কৰা দেখা যায়। 'তুলসী তুলসী অ' আই তুলসী, তুমি গোবিন্দৰে প্ৰিয়া, কোনপথে কানাই যায়, অ' আই তৎকালে সমিধান দিয়া।' আদি গীত পৰিৱেশন কৰি লক্ষ্মীদেৱী বা তুলসীৰ পৰা আশীৰ্বাদ কামনা কৰে। অসমৰ আন ঠাইৰ লগতে নগাঁও জিলাতো পৰম্পৰা ৰক্ষা কৰি কাতিবিহু পালন কৰা হয়। এই কাতিবিহু কৃষকৰ বাবে অতি গুৰুত্বপূৰ্ণ। কাৰণ কৃষকে কাতিবিহুতেই আশাৰ সপোন ৰচে। কৃষকৰ মন অধিক সমৃদ্ধিশালী হৈ উঠে। পথাৰৰ সপোনৰ সোণগুটি যাতে পোক পৰুৱাই অনিষ্ট সাধন কৰিব নোৱাৰে, শস্যৰ শ্ৰীবৃদ্ধি হোৱাৰ কামনাৰে প্ৰাৰ্থনা জনায়। নগাঁৱত পৰম্পৰাগতভাৱে কিছু ৰীতি নীতিৰ মাজেৰে কাতিবিহু উদ্‌যাপন কৰা হয়। কাতিবিহুৰ দিনা বিয়লি বেলি ডুবাৰ আগত গৃহস্থই চাকি বন্তি লৈ হেপাহৰ পথাৰখনলৈ যায়। ঠাই বিশেষে গৃহস্থই তিনিডাল বাহৰ কামিত গছা পাতি তাত এগছি চাকি দি আকাশ বন্তি জ্বলাই ধানখেতিৰ শ্ৰীবৃদ্ধি কামনা কৰে। কীট -পতঙ্গই যাতে ধানখেতিৰ অনিষ্ট সাধন কৰিব নোৱাৰে তাৰ বাবে পথাৰত বন্তি জ্বলোৱা হয়। সন্ধিয়া তুলসী গছৰ কাষত বহি বন্তি জ্বলোৱাৰ লগতে নামকীৰ্তন কৰা হয়। সৰু সৰু ল'ৰা-ছোৱালীবোৰে নিজৰ ঘৰৰ লগতে ওচৰ চুবুৰীয়াৰ ঘৰৰ তুলসীৰ কাষত 'তুলসীৰ তলত মৃগপহু চৰে! তাকে দেখি ৰামচন্দ্ৰই শৰধনু ধৰে' আদি কাতিবিহুৰ প্ৰচলিত গীত পৰিৱেশন কৰা দেখা যায়। গৃহস্থই আগবঢ়োৱা প্ৰসাদ সৰু সৰু ল'ৰা-ছোৱালীবোৰে গ্ৰহণ কৰে। মানুহৰ লগতে জীৱ জন্তুৰ কল্যাণৰ হকে পথাৰত আকাশ বন্তি জ্বলোৱাৰ পিছত ঘৰত, ভড়াল, তাতশাল, বাৰী, গোহালিত বন্তি প্ৰজ্বলন কৰা হয়। জিলাখনৰ বিভিন্ন ঠাইত গাঁৱৰ ৰাইজ কাতিবিহুৰ দিনা নামঘৰলৈ গৈ নামকীৰ্তন কৰি ৰাইজৰ শ্ৰীবৃদ্ধি আৰু কল্যাণৰ হকে প্ৰাৰ্থনা জনায় আৰু অপায় অমংগল নহ'বৰ বাবে সেৱা ধৰে। কাতিবিহুৰ দিনা পথাৰত গৈ ৰবাব টেঙা খোৱাটো নগাঁৱৰ আন এক পৰম্পৰা। সেইদিনা গাঁৱৰ জাক জাক ডেকা-গাভৰুৰ পৰা আৰম্ভ কিশোৰ-কিশোৰীসকলে কলপাত, ৰবাব টেঙা লগত লৈ পথাৰ বা পথাৰৰ কাষৰ মুকলি ঠাইলৈ যায় আৰু তাতে ৰবাব টেঙা খাই আনন্দ উপভোগ কৰাৰ লগতে গীত পৰিৱেশন কৰা দেখা যায়। নগাঁৱত তুলসী পুলি ৰোপণ কৰাৰ প্ৰক্ৰিয়া সুকীয়া। সাধাৰণতে আনৰ ঘৰৰ পৰা তুলসী পুলি আনি ৰোৱাৰ পৰম্পৰা চলি আছে। ইঘৰ সিঘৰৰ পৰা পুলি আনিও ৰোৱা হয়। এনেদৰেই নগাঁও জিলাত পৰম্পৰাগত ৰীতি-নীতি আদিৰে কাতিবিহু উদ্‌যাপন কৰা হয়। ঠাই বিশেষে কাতিবিহু উদ্‌যাপন কিছু সুকীয়া যদিও খেতিপথাৰৰ শ্ৰীবৃদ্ধি কামনা কৰা আৰু অপায় অমঙ্গল দুৰ কৰিবলৈ প্ৰাৰ্থনা জনোৱাটো প্ৰধান উদ্দেশ্য। (বিভিন্ন উৎসৰ আলমত)

# উৰিয়া গাঁৱত লেখক নবীন কলিতাৰ 'ছাঁ পোহৰত ৰজাখেদা নগএঞা সিন্ধুৰা হাজৰিকা আৰু অন্যান্য প্ৰসংগ' শীৰ্ষক গ্ৰন্থ উন্মোচন




**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ উৰিয়া গাঁৱত যোৱা ১৮ অক্টোবৰত বিশিষ্ট লেখক নবীন কলিতাৰ 'ছাঁ-পোহৰত ৰজাখেদা নগএঞা সিন্ধুৰা হাজৰিকা আৰু অন্যান্য প্ৰসংগ' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰা হয়। এই উপলক্ষে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ উৰিয়াগাঁও আঞ্চলিক সমিতিৰ কাৰ্যালয়ত এখন গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। অস্তিত্বৰ সময়ৰ কবি লক্ষেশ্বৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ আৰম্ভণিতে সদ্যপ্ৰয়াত শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক তথা প্ৰবীণ নাট্যকৰ্মী জীৱন শইকীয়াই। ইয়াৰ পিছতে লেখক নবীন কলিতাৰ 'ছাঁ পোহৰত ৰজাখেদা নগএঞা সিন্ধুৰা হাজৰিকা আৰু অন্যান্য প্ৰসংগ' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে চামগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট নিবন্ধকাৰ ড° ইন্দ্ৰজিৎ বেজবৰুৱাই। গ্ৰন্থখন উন্মোচন কৰি ভাষণ প্ৰসংগত বিশিষ্ট লেখক ড° ইন্দ্ৰজিৎ বেজবৰুৱাই কয়- 'অসমীয়া মহাজাতিৰ আঠশবছৰীয়া ঐতিহাসিক পৰিক্ৰমাত নগাঁৱৰ গঠন আৰু ঐতিহ্যৰ আন এক স্থান আছে। নগএঞাই ৰজাকো পৰোৱা নকৰিছিল। সেয়ে গৌৰীনাথ সিংহৰ সময়ত নগএঞা হাজৰিকা সিন্ধুৰাই ৰজাকো খেদিছিল। আজিৰ দিনটোতে বাহু কৈৱৰ্ত্ত, লক্ষণ সিং ৰজা আদি নগএঞাসকলে ফুলগুৰিত ধেৱা তুলি ব্ৰিটিছক হুৰাই দিছিল। নগএঞা অনিল বৰাই ভাষাৰ বাবে প্ৰাণ আহুতি দিছিল। প্ৰজন্মৰ পৰা প্ৰজন্মলৈ নগএঞাই জ্ঞান শিঙা-ৰণ শিঙা সকলোতে ফু দি আহিছে।' লেখক নবীন কলিতাই আঁত ধৰা সভাখনত গ্ৰন্থ উন্মোচক ড° বেজবৰুৱাই ভাষণ প্ৰসংগত 'ছাঁ পোহৰত ৰজা খেদা নগএঞা সিন্ধুৰা হাজৰিকা এই শীৰ্ষক গ্ৰন্থখনৰ জৰিয়তে উঠি অহা প্ৰজন্মই ইতিহাস অধ্যয়নৰ বাবে যথেষ্ট সমল লাভ কৰিব বুলি মন্তব্য কৰে। সভাত অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰিণ্টু দাস, বিশিষ্ট নাট্যকৰ্মী কমলেশ শইকীয়া, শিশু বন্ধু দুলাল বৰা, অৱসৰপ্ৰাপ্ত শিক্ষক তথা লেখক অনিল কুমাৰ শৰ্মা, অশোক ৰাম ভট্টাচাৰ্য, শোণিত বৰঠাকুৰ, প্ৰফুল্ল বৰা, অনু কোঁৱৰ সিংহ হিৰণ্য কুমাৰ শৰ্মা বিপুল মজিন্দাৰ, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ উৰিয়া গাঁও আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক শুভজিৎ গগৈ প্ৰমুখ্যে বহু গণ্য মান্য ব্যক্তি উপস্থিত আছিল। সভাত মুকুতা ৰাজাই শিল্পী জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰে।

# কৰৈয়নীত কাতি বিহু উদ্‌যাপন

## আকাশ বন্তি প্ৰজ্বলন অনুষ্ঠানত বিধায়ক ৰূপক শৰ্মাৰ অংশগ্ৰহণ, দিহানাম পৰিৱেশন



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ কৰৈয়নী বামুণ গাঁৱত যোৱা ৰজ্জ্ব অক্টোবৰত কাতি বিহু উদ্‌যাপন কৰা হয়। কলংপাৰ উত্তৰাঞ্চল বৃহত্তৰ আঞ্চলিক কৃষি আৰু সামাজিক উন্নয়ন সমিতিৰ উদ্যোগত আৰু নগাঁও জিলা কৃষি বিভাগৰ সহযোগত কাতি বিহু উদ্‌যাপনৰ লগতে 'আকাশ বন্তি প্ৰজ্বলন' নামেৰে এলানি বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱা বিহুৰ পতাকা উত্তোলন কৰে সমিতিৰ উপ-সভাপতি নাৰায়ণ বৰাই। সন্ধ্যা সদ্যপ্ৰয়াত শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাই। ইয়াৰ পিছতে কাতি বিহুৰ পৰম্পৰা অনুসৰি নগাঁও জিলা পৰিষদৰ সভানেত্ৰী গীতাঞ্জলী হাজৰিকাই তুলসী ভেটিত বন্তি প্ৰজ্বলন কৰাৰ অন্তত অনুষ্ঠানটোত 'আকাশ বন্তি প্ৰজ্বলন' কৰে নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। সমিতিৰ সাধাৰণ সম্পাদক দীপক হাজৰিকা আৰু সহকাৰী সম্পাদক প্ৰমোদ শইকীয়াই আঁত ধৰা অনুষ্ঠানত সমিতিৰ তৰফৰ পৰা অঞ্চলটোৰ উন্নয়নৰ স্বাৰ্থত বিভিন্ন সমস্যা সম্বলিত এখন স্মাৰক পত্ৰ সুকীয়া সুকীয়াকৈ বিধায়ক ৰূপক শৰ্মা আৰু নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাক প্ৰদান কৰা হয়। সন্ধাৰে পৰা কাতি বিহুৰ অনুষ্ঠানটোত বঢ়মপুৰৰ শ্যাম-বনমালী নামৰ দলে দিহা নাম পৰিৱেশন কৰে।

# অন্তৰৰ সন্ধান ঃ ধৰ্ম বনাম আধ্যাত্মিকতা

■ সত্যব্ৰত বৰা

ধৰ্ম আৰু আধ্যাত্মিকতা আমাৰ জীৱনৰ দুটি গুৰুত্বপূৰ্ণ দিশ যাক আমি প্ৰায়ে একে বুলি ভুল কৰোঁ। কিন্তু এই দুয়োটা ধাৰণাৰ মাজত স্পষ্ট পাৰ্থক্য আছে। ধৰ্ম আৰু আধ্যাত্মিকতাৰ স্বৰূপ, উদ্দেশ্য আৰু প্ৰভাৱৰ কথা বিবেচনা কৰিলে এই পাৰ্থক্য স্পষ্ট হৈ পৰে। ধৰ্ম সাধাৰণতে এক নিৰ্দিষ্ট সমাজ বা সংস্কৃতিৰ দ্বাৰা পৰিচালিত নিয়ম-নীতি, আচাৰ-অনুষ্ঠান আৰু বিশ্বাসৰ সমষ্টি, আনহাতে আধ্যাত্মিকতা হৈছে ব্যক্তিগত, অন্তৰ্নিহিত আৰু গভীৰ অনুভৱৰ সন্ধান।

ধৰ্ম হৈছে এক সংগঠিত ব্যৱস্থা, য'ত নিৰ্দিষ্ট বিশ্বাস, আচাৰ-অনুষ্ঠান, ধৰ্মগ্ৰন্থ আৰু নৈতিক নীতি-নিয়ম থাকে। হিন্দু ধৰ্মত ভগৱদ্‌গীতা বা বেদৰ দৰে গ্ৰন্থ, পূজা-অৰ্চনা, উৎসৱ-পাৰ্বণ আৰু সমাজৰ নৈতিক নিয়মবোৰ ধৰ্মৰ অংশ। একেদৰে খ্ৰীষ্টান ধৰ্মত বাইবেল, গীৰ্জাৰ প্ৰাৰ্থনা, আৰু খ্ৰীষ্টমাছৰ দৰে উৎসৱ ধৰ্মৰ অংশ। ধৰ্মই মানুহক এক নিৰ্দিষ্ট পথৰ মাজেৰে জীৱন যাপনৰ বাবে দিশ দিয়ে আৰু সমাজত শৃংখলা বজাই ৰাখে। ইয়াৰ জৰিয়তে মানুহে এখন সমাজৰ সৈতে নিজকে সংযোগ কৰে আৰু সামূহিকভাৱে ধৰ্মীয় কাৰ্যকলাপত অংশ লয়। ধৰ্মৰ এটা গুৰুত্বপূৰ্ণ দিশ হৈছে ইয়াৰ সামাজিক কাঠামো, য'ত মানুহে একেলগে ধৰ্মীয় বিশ্বাস পালন কৰে আৰু নৈতিকতাৰ মানদণ্ড মানি চলে। আনহাতে, আধ্যাত্মিকতা হৈছে ব্যক্তিগত আৰু অধিক অন্তৰ্নিহিত। ই বাহ্যিক আচাৰ-অনুষ্ঠান বা নিয়ম-নীতিৰ ওপৰত নিৰ্ভৰ নকৰে, বৰঞ্চ ইয়াৰ মূল বিষয় হৈছে নিজৰ অন্তৰৰ সৈতে সংযোগ, আত্মাৰ শান্তি আৰু জীৱনৰ গভীৰ অৰ্থৰ সন্ধান। এজন আধ্যাত্মিক ব্যক্তিয়ে কোনো নিৰ্দিষ্ট ধৰ্ম মানি চলিবই লাগিব বুলি কোনো বাধ্যবাধকতা নাই। তেওঁ প্ৰকৃতিৰ সৈতে সংযোগ, ধ্যান, আত্মচিন্তা বা সৃষ্টিৰ বিস্ময়ৰ মাজতো আধ্যাত্মিকতা অনুভৱ কৰিব পাৰে। উদাহৰণস্বৰূপে কোনোবাই সূৰ্যাস্তৰ সৌন্দয্যত মুগ্ধ হৈ বা গভীৰ ধ্যানৰ মাজেৰে নিজৰ অস্তিত্বৰ সৈতে একাত্মতা অনুভৱ কৰিব পাৰে। আধ্যাত্মিকতাৰ এই ব্যক্তিগত দিশটোৱে মানুহক নিজৰ ভিতৰৰ প্ৰশ্নৰ উত্তৰ বিচাৰিবলৈ আৰু জীৱনৰ উদ্দেশ্যৰ বিষয়ে গভীৰভাৱে চিন্তা কৰিবলৈ সহায় কৰে।

ধৰ্ম আৰু আধ্যাত্মিকতাৰ মাজত থকা পাৰ্থক্যৰ এটা প্ৰধান দিশ হৈছে ইয়াৰ পৰিধি। ধৰ্ম সাধাৰণতে সামূহিক আৰু সংগঠিত, য'ত নিৰ্দিষ্ট নিয়ম-কানুন, পৰম্পৰা আৰু সমাজৰ ভূমিকা থাকে। ইয়াৰ বিপৰীতে আধ্যাত্মিকতা ব্যক্তিগত আৰু মুক্ত। ধৰ্মত প্ৰায়ে এজন নিৰ্দিষ্ট ঈশ্বৰ বা উচ্চ শক্তিৰ ধাৰণা থাকে, যাক মানি চলিবলৈ নিয়মৰ প্ৰয়োজন হয়। কিন্তু আধ্যাত্মিকতাত এনে কোনো বাধ্যবাধকতা নাথাকে। এজন আধ্যাত্মিক ব্যক্তিয়ে ঈশ্বৰত বিশ্বাস নকৰিও জীৱনৰ অৰ্থ আৰু শান্তিৰ সন্ধান কৰিব পাৰে। উদাহৰণস্বৰূপে, বৌদ্ধ ধৰ্মত ঈশ্বৰৰ ধাৰণা নাথাকিলেও, ই আধ্যাত্মিকতাৰ ওপৰত গুৰুত্ব দিয়ে, য'ত ধ্যান আৰু আত্মজ্ঞানৰ জৰিয়তে শান্তি লাভৰ কথা কোৱা হয়।

ধৰ্ম আৰু আধ্যাত্মিকতাৰ মাজৰ সম্পৰ্কও অতি গুৰুত্বপূৰ্ণ। বহু সময়ত ধৰ্মই আধ্যাত্মিকতাৰ পথ প্ৰদৰ্শন কৰে। ধৰ্মৰ আচাৰ-অনুষ্ঠান, প্ৰাৰ্থনা বা ধৰ্মগ্ৰন্থৰ পঠনে মানুহক আধ্যাত্মিকভাৱে নিজৰ সৈতে সংযোগ স্থাপন কৰাত সহায় কৰে। উদাহৰণস্বৰূপে, হিন্দু ধৰ্মত যোগ আৰু ধ্যানৰ পৰম্পৰা আধ্যাত্মিকতাৰ গভীৰ দিশৰ সৈতে জড়িত। একেদৰে, খ্ৰীষ্টান ধৰ্মত প্ৰাৰ্থনা বা ধ্যানৰ জৰিয়তে মানুহে ঈশ্বৰৰ সৈতে সংযোগ অনুভৱ কৰে। কিন্তু ধৰ্মৰ নিয়ম-কানুনত আবদ্ধ হৈ থকা বহু লোকে আধ্যাত্মিকতাৰ গভীৰতা উপলব্ধি নকৰিবও পাৰে। তেওঁলোকে কেৱল বাহ্যিক আচাৰ-অনুষ্ঠান পালন কৰি সন্তুষ্ট হৈ থাকে। ইয়াৰ বিপৰীতে, এজন আধ্যাত্মিক ব্যক্তিয়ে ধৰ্মৰ সীমাৰ বাহিৰলৈ গৈ জীৱনৰ সাৰ্বজনীন সত্যৰ সন্ধান কৰিব পাৰে।

ধৰ্ম আৰু আধ্যাত্মিকতাৰ মাজত থকা পাৰ্থক্যক এটা উদাহৰণ দি বুজোৱা যাওক। ধৰি লওক, এজন ব্যক্তিয়ে প্ৰতিদিন মন্দিৰত পূজা কৰে, ধৰ্মীয় নিয়ম মানি চলে আৰু উৎসৱত অংশগ্ৰহণ কৰে। তেওঁ


১০ পৃষ্ঠাত

# গুৱাহাটীত বি ডব্লিউ এফ ৱৰ্ল্ড জুনিয়ৰ বেডমিন্টন চেম্পিয়নশ্বিপৰ সফল সামৰণি

**জয়ন্ত মুদৈ, নগাঁও ঃ** যোৱা ৬ অক্টোবৰৰ পৰা ১৯ অক্টোবৰলৈ গুৱাহাটীত অনুষ্ঠিত হৈ যোৱা ইউনেক্স চানৰাইছ বি ডব্লিউ এফ ৱৰ্ল্ড জুনিয়ৰ বেডমিন্টন চেম্পিয়নশ্বিপ-২০২৫ত ভাৰতৰ যুৱ খেলুৱৈয়ে অভূতপূৰ্ব সফলতা লাভ কৰে। প্ৰথমবাৰলৈ ভাৰতে মিক্সড টীম ইভেণ্ট (সুহানদিনতা কাপ)ত ব্ৰঞ্জৰ পদক অৰ্জন কৰি বিশ্ব জুনিয়ৰ চেম্পিয়নশ্বিপছৰ এই শাখাত দেশৰ হৈ প্ৰথমবাৰৰ বাবে পদকজয়ী হোৱাৰ গৌৰৱ অৰ্জন কৰি ইতিহাস ৰচনা কৰে। এই কৃতিত্বৰ লগতে ভাৰতে বিভিন্ন শাখাত পাঁচজন ভাৰতীয় খেলুৱৈয়ে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰি প্ৰতিযোগিতাখনৰ ইতিহাসত দেশখনৰ বাবে সৰ্বাধিক সফলতা অৰ্জনৰ ৰেকৰ্ড স্থাপন কৰে। ইয়াৰে ভিতৰত অসাধাৰণ প্ৰদৰ্শনৰে তনভী শৰ্মাই ২০০৮ চনৰ চাইনা নেহৱালৰ পিছত প্ৰথমবাৰ এগৰাকী ভাৰতীয় হিচাপে বিশ্ব জুনিয়ৰ চেম্পিয়নশ্বিপছৰ ছোৱালীৰ একক ইভেণ্টত ফাইনেলত প্ৰৱেশ কৰি ৰূপৰ পদক লাভেৰে ইতিহাস ৰচি উদীয়মান যুৱ খেলুৱৈসকলক অনুপ্ৰাণিত কৰে। সেয়ে এনে সফলতাৰ বাবে ভাৰতীয় দলক বেদান্ত গ্ৰুপৰ অংশ আৰু দেশৰ সৰ্ববৃহৎ বেচৰকাৰী তেল আৰু গেছ উৎপাদক কেইৰ্ণ অইল এণ্ড গেছে উষ্ম অভিনন্দন জনোৱাৰ লগতে এই ঐতিহাসিক ক্ৰীড়া সাফল্যৰ অংশীদাৰ হিচাপে গৌৰৱ প্ৰকাশ কৰিছে। ভাৰতীয় বেডমিণ্টন এছ'চিয়েশ্যনৰ উদ্যোগত আয়োজিত এই চেম্পিয়নশ্বিপৰ অন্যতম মুখ্য পৃষ্ঠপোষক অংশীদাৰ হিচাপে কেইৰ্ণ অইল এণ্ড গেছে এই সাফল্যক ভাৰতীয় ক্ৰীড়াৰ এক সামূহিক জয় আৰু প্ৰথমবাৰৰ বাবে উত্তৰ-পূৱত আয়োজিত এই চেম্পিয়নশ্বিপৰ উত্তৰোত্তৰ কামনা কৰিছে। কেইৰ্ণৰ এগৰাকী মুখপাত্ৰই নিজৰ মত প্ৰকাশ কৰি কয় যে- এই প্ৰতিযোগিতাখন যুৱক-যুৱতী, প্ৰতিভা আৰু অধ্যৱসায়ৰ এক সফল উদ্‌যাপন। গুৱাহাটীত ভাৰতৰ এই সাফল্যই আমাক সকলোকে অনুপ্ৰাণিত কৰিছে আৰু কেনেকৈ নিষ্ঠা আৰু সুযোগৰ জৰিয়তে আমাৰ যুৱ প্ৰজন্মই বিশ্ব জয় কৰিব পাৰে সেই বিষয়ে সকলোকে অনুপ্ৰাণিত কৰিছে। উল্লেখ্য যে, কেইৰ্ণ অইল এণ্ড গেছে খেল আৰু যুৱ বিকাশৰ ক্ষেত্ৰত এক নিৰন্তৰ উদ্যোগ অব্যাহত ৰাখিছে। ইয়াৰ ভিতৰত অসমৰ কাইটব'ৰ্ডিং প্ৰতিভা নিখামণি বৰাক পেচাদাৰী প্ৰশিক্ষণৰ সুযোগ আগবঢ়াই তেওঁলোকৰ স্বপ্ন পূৰণত সহায় কৰিছে। তদুপৰি Project Divyang (Sports) জৰিয়তে কেইৰ্ণে ৰচ জন পেৰা এথলিটক আৰ্থিক অনুদান, খেল সামগ্ৰীৰে সহায় আগবঢ়াই আহিছে। এই খেলুৱৈসকলে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় মঞ্চত গৌৰৱজনক সফলতা অৰ্জন কৰিছে। গোলাঘাটৰ সৰুপথাৰ কলেজত ডিজিটেল পদ্ধতিৰ ব্যৱস্থা প্ৰদান কৰি ৩,৯০০ৰো অধিক ছাত্ৰ-ছাত্ৰীক উপকৃত কৰাৰ লগতে ক্ৰীড়া, ডিজিটেল শিক্ষা আৰু দক্ষতা বিকাশত কেইৰ্ণৰ নিজৰ অৱদান অব্যাহত ৰাখিছে।

# ৰাণাদা আকৌ আহিব

■ বনশ্ৰী শৰ্মা




বানে বিধ্বস্ত কৰা অসমত বানপীড়িতসকলৰ সাহাৰ্যাৰ্থে ৭০ৰ দশকত এৰাতিৰ ভিতৰতে সুৰ বাহিনী গঠন কৰিছিল মানৱদৰদী শিল্পী জয়ন্ত হাজৰিকাই (সকলোৰে মৰমৰ শিল্পী ৰাণাদা)। শিল্পী হিচাপে সমাজৰ প্ৰতি থকা দায়বদ্ধতা, মানুহৰ প্ৰতি হৃদয়ত অনুভৱ কৰা টানৰ বাবেই হাজৰিকাদেৱে শিৱপ্ৰসাদ ঠাকুৰ, মুনিন বৰুৱা, মঞ্জুলা বৰুৱা, মনীষা হাজৰিকা, তপোব্ৰত বৰুৱা, মহানন্দ মজিন্দাৰ বৰুৱাকে ধৰি বহুজনৰ সহযোগত বানপীড়িতসকলৰ সহায়ক হওক বুলি সুৰ বাহিনী গঠন কৰি তেওঁলোকে ট্ৰাকত উঠি গান গাই গাই ৰাইজৰ পৰা দান-বৰঙণি সংগ্ৰহ কৰিছিল। এয়াই আছিল মহান শিল্পীৰ মহানতা। গান যে কেৱল আমোদ-প্ৰমোদৰ বাবে নহয় বৰং ই হ'ব পাৰে দুৰ্গতজনৰ বিপদৰ সময়ৰ সাহস, দুৰ্যোগৰ এন্ধাৰ দিনৰ আশাৰ পোহৰ, সেই কথা ৰাণাদাৰ সুৰ বাহিনীয়ে প্ৰমাণ কৰি থৈ গক্সল। কিন্তু দুখৰ কথা যে এনে এগৰাকী মহান শিল্পীৰ জীৱনকাল আছিল অতি চুটি। তথাপি এই চুটি জীৱনকালতে তেওঁ অজস্ৰ ভাল কাম আৰু ভাল সৃষ্টি আমাক উপহাৰ দি গ'ল।

মই আকৌ আহিম দেশৰ বাবে
আহিম আকৌ দহৰ বাবে
ন-সমাজৰ আঁচনি লৈ

তেওঁ আকৌ আহিব, দেশৰ বাবে, দহৰ বাবে, ন-সমাজৰ আঁচনি লৈ তেওঁ আকৌ আহিব। স্বতন্ত্ৰ আৰু বৈশিষ্ট্যপূৰ্ণ সংগীত সাধনাৰে অতি চুটি জীৱনকালতে সংগীতৰ জৰিয়তে নানান মহান কামত আগভাগ লোৱা জয়ন্ত হাজৰিকাদেৱ আকৌ আহিব বুলি প্ৰতিজন অসমীয়াই আশা কৰে, বিশ্বাস কৰে। তেওঁ যি আদৰ্শ দেখুৱাই থৈ গ'ল সেই আদৰ্শ সমূহ জীয়াই ৰাখিব পাৰিলে, সেই আদৰ্শ অনুসৰণ কৰিলেই আমি মানি ল'ব পাৰিম ৰাণাদা আহিছে, আকৌ আহিছে তেওঁ বুলি। মানুহে মানুহৰ সাহস হওক, দুখৰ দিনৰ সাৰথি হওক, গানবোৰ প্ৰকৃতাৰ্থত গান হওক, শিল্পীসকল মানুহ আৰু সমাজৰ বাবে ওলাই আহক, দেখিব ৰাণাদাৰ আদৰ্শ আকৌ জী উঠিছে আৰু ৰাণাদা আকৌ আহিছে দেশৰ বাবে, দহৰ বাবে, ন-সমাজৰ বাবে আঁচনি লৈ...

(মহান শিল্পী গৰাকীক মৃত্যু বাৰ্ষিকীত সশ্ৰদ্ধ সোঁৱৰণ)

**ম'বাইল ঃ** ৯৮৬৪১-৮৯৭৪৫

# অভিভাৱক মন্ত্ৰী ৰণোজ পেগুৰ দ্বাৰা ডিমৌ আঠাবাৰী চাহ বাগিছাৰ চিকিৎসালয়ত কাঁচি ৰক্তহীনতাৰ পৰীক্ষণ শিৱিৰ

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলাৰ আয়ুক্ত আয়ুস গাৰ্গৰ উপস্থিতিত শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ড° ৰণোজ পেগুৱে যোৱা ১৯ অক্টোবৰত শিৱসাগৰ জিলাৰ ডিমৌ স্বাস্থ্যখণ্ডৰ অধীনৰ আঠাবাৰী চাহ বাগিছাৰ চিকিৎসালয়ত কাঁচি ৰক্তহীনতাৰ পৰীক্ষণ শিৱিৰ উদ্বোধন কৰে। উল্লেখযোগ্য যে, উদ্বোধন কৰাৰ পাছতেই মন্ত্ৰীগৰাকীয়ে আমাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ফটোত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি মূল সভা আৰম্ভ কৰে। সভাৰ আদৰণিমূলক ভাষণ প্ৰদান কৰি জিলাৰ যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ মাখন কলিতায়ে সিকল চেল ৰোগ এটা বংশানুক্ৰমিক ৰক্তৰ ৰোগ বুলি কয়। এই ৰোগত শৰীৰত সঠিকভাৱে ৰক্ত সঞ্চালন নোহোৱাত মানুহে বহুধৰণৰ অসুখত ভোগে। সময়মতে স্ক্ৰিনিং কৰিলে এই ৰোগ চিনাক্ত কৰি নিয়ন্ত্ৰণ কৰিব পাৰি। বিৱাহৰ আগতে দম্পতীয়ে পৰীক্ষা কৰিলে শিশুক এই ৰোগৰ পৰা ৰক্ষা কৰিব পাৰি। সময়মতে চিকিৎসা, পুষ্টিকৰ খাদ্য আৰু নিয়মীয়া পৰীক্ষাই জীৱনক সুৰক্ষিত কৰি ৰাখিবলৈ সভাত উপস্থিত সকলোকে আহ্বান জনায়। পৰ্যায়ক্ৰমে 'ৰক্তশক্তি' শিৱসাগৰ জিলাৰ আটাইকেইখন চাহ বাগিছাত আৰম্ভ হ'ব আৰু লগতে 'ৰক্তশক্তি'ৰ ভিন্ন কাৰ্যক্ৰমৰ বিষয়ে যুটীয়া স্বাস্থ্যসেৱা সঞ্চালকগৰাকীয়ে জানিবলৈ দিয়ে। আনহাতে শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ড° ৰণোজ পেগুৱে বিয়লি ৩-৩০ বজাত এই পৰীক্ষণ শিৱিৰটি উদ্বোধন কৰি চাহ বাগিছাৰ চিকিৎসালয়খন পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত তেওঁ চিকিৎসালয়খনৰ ব্যৱস্থাপনা-পৰিচালনা, স্বাস্থ্যসেৱা আৰু বিভিন্ন চিকিৎসা সৰঞ্জামৰ অৱস্থা খুঁতিনাটি পৰ্যালোচনা কৰা পৰিলক্ষিত হয়। মন্ত্ৰীগৰাকীয়ে আঠাবাৰী চাহ বাগিছা চিকিৎসালয়কে ধৰি জিলাখনৰ আটাইকেইখন চাহ বাগিছাৰ চিকিৎসালয়ৰ কৰ্তৃপক্ষক মাতৃ, শিশুৰ বাবে আৰু অধিক উন্নত চিকিৎসাসেৱা প্ৰদানৰ বাবে আহ্বান জনায়। লগতে মন্ত্ৰীগৰাকীয়ে চিকিৎসক, চিকিৎসাকৰ্মী আৰু কৰ্মচাৰীসকলৰ সৈতে মত-বিনিময় কৰি স্বাস্থ্যসেৱাৰ গুণগত মান উন্নত কৰাৰ দিশে বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে নিজ কৰ্তব্য নিষ্ঠাৰে পালন কৰিবলৈ সকলোকে



আহ্বান জনায়। অভিভাৱক মন্ত্ৰী ড° পেগুৱে চৰকাৰে চাহ বাগিছাসমূহত স্বাস্থ্য খণ্ডৰ বিকাশ আৰু চিকিৎসাসেৱা সহজলভ্য কৰিবলৈ গৃহীত পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰে আৰু আগন্তুক দিনতো চাহ বাগিছাসমূহৰ উন্নয়নৰ বাবে বিভিন্নধৰণৰ সহায় আগবঢ়াব বুলি আশ্বাস প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে তেওঁৰ উদ্বোধনী ভাষণত কয় যে, সিকল চেল এনিমিয়া বিষয়ে চাহ বাগিছাৰ লোকসকলৰ মাজত সজাগতা সৃষ্টি কৰা অত্যন্ত প্ৰয়োজনীয়। এই ৰোগে ৰক্তৰ লোহিত কণিকাৰ গঠন সলনি কৰি শৰীৰত অক্সিজেন পৰিবহনৰ ক্ষমতা হ্ৰাস কৰে। সময়মতে পৰীক্ষা আৰু চিকিৎসা গ্ৰহণ কৰিলে এই ৰোগ নিয়ন্ত্ৰণ কৰিব পাৰি। সেয়েহে সকলোৱে যাতে এই বিষয়ে সজাগ হোৱাৰ লগতে ৰক্ত পৰীক্ষা কৰি উপযুক্ত ঔষধ গ্ৰহণ কৰি নিয়মিত বিশ্ৰাম লৈ সুস্থ জীৱন-যাপন কৰে। লগতে পুৰুষ আৰু মহিলা দুয়োগৰাকী যদি সিকল চেল এনিমিয়া ৰোগত আক্ৰান্ত হয় তেতিয়াহ'লে বিৱাহপাশত আৱদ্ধ হ'ব নালাগে। উক্ত অনুষ্ঠানত স্বাস্থ্য বিভাগৰ অতিৰিক্ত আয়ুক্ত মীনাক্ষী পাৰ্মে, সহকাৰী আয়ুক্ত পৰিস্মিতা দিহিঙ্গীয়া ডিমৌ খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ খণ্ড মহকুমা স্বাস্থ্য বিষয়া ডাঃ বিজিত বৰা, চাহ বাগিছাখনৰ প্ৰৱন্ধক শচীন সিং ৰাথো, কল্যাণ বিষয়া নকুল চাউৰা, চাহ বাগিছাখনৰ চিকিৎসক ডাঃ যতীন দত্ত আদি উপস্থিত থাকে। উল্লেখ্য যে, চাহ বাগিছাখনৰ স্বাস্থ্যকৰ্মী দুলেশ্বৰ গোৱালা আৰু ACMS ৰ সম্পাদক জিতেন বৰুৱাই এই অনুষ্ঠানটোৰ সম্পূৰ্ণ ব্যৱস্থাপনাৰ দায়িত্ব গ্ৰহণ কৰে বুলি শিৱসাগৰ জিলা স্বাস্থ্য বিভাগৰ গণমাধ্যম বিশেষজ্ঞ তথা জনসম্পৰ্কৰক্ষী বিষয়া অঞ্জুশ্ৰী ফুকনে জানিবলৈ দিছে।




Janasanyog RO no 2654/25/24-October-25

# শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত ‘ধঁপাত মুক্ত যুৱ অভিযান-৩.০’ৰ জিলা ভিত্তিক উদ্বোধন



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ দ্বাৰা ৰাষ্ট্ৰীয় পৰ্যায়ত ‘ধঁপাত মুক্ত যুৱ অভিযান — ৩.০’ৰ যোৱা ৯ অক্টোবৰত ভাৰ্চুৱেলী উদ্বোধন কৰা হৈছিল। তাৰেই অংশস্বৰূপে ১৫ অক্টোবৰত শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত শিৱসাগৰ জিলা ভিত্তিক উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত জিলা স্বাস্থ্য বিভাগৰ অতিৰিক্ত আয়ুক্ত মীনাক্ষী পাৰ্মে (ACS), স্বাস্থ্য বিভাগৰ যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ মাখন কলিতা, বিদ্যালয়খনৰ অধ্যাপিকা মঞ্জু চেতিয়া আৰু জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ ন'ডেল বিষয়া ডাঃ দীপামণি শইকীয়া, প্ৰিয়ংকা কাকতি আদি উপস্থিত থাকি যুৱ সমাজক অনুপ্ৰাণিত কৰে। উল্লেখযোগ্য যে, এই অভিযানৰ মূল উদ্দেশ্য হৈছে শিৱসাগৰ জিলাৰ যুৱ সমাজক ধঁপাতৰ আসক্তিৰ পৰা দূৰত্ব বজাই ৰাখিবলৈ প্ৰেৰণা যোগোৱা। স্বাস্থ্য বিভাগৰ অতিৰিক্ত আয়ুক্ত মীনাক্ষী পাৰ্মেই তেওঁৰ বহুমূলীয়া বক্তব্যৰ যোগেদি ধঁপাত সেৱনে স্বাস্থ্যৰ বাবে ক্ষতিকাৰক প্ৰভাৱ পেলায়, বিশেষকৈ কেন্সাৰ আৰু হৃদৰোগৰ ক্ষেত্ৰত আদি সম্পৰ্কে সভাত উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। অনুষ্ঠানত শিক্ষক-শিক্ষয়িত্ৰী আৰু স্বাস্থ্য কৰ্মীসকলে অংশগ্ৰহণ কৰে। আনহাতে যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ মাখন কলিতাই তেওঁৰ এক মননশীল ভাষণৰ জৰিয়তে যুৱ সমাজক ধঁপাত মুক্ত জীৱনশৈলী অৱলম্বন কৰিবলৈ সচেতন কৰে। বিশেষভাৱে সভাত শপত গ্ৰহণৰ মাধ্যমেৰে উপস্থিত শিক্ষাৰ্থীসকলে ধঁপাত গ্ৰহণ নকৰাৰ প্ৰতিশ্ৰুতি দিয়ে। এই অভিযানত স্বাস্থ্য বিভাগৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মাজত ধঁপাতৰ বেয়া প্ৰভাৱ সম্পৰ্কে শিক্ষামূলক আলোচনা কৰে অধ্যক্ষা মঞ্জু চেতিয়াই। যুৱক-যুৱতীয়ে নিজৰ জীৱন সুস্থ আৰু সজাগ কৰিবলৈ এই অভিযানৰ অংশ হিচাপে আগভাগ লৈ অংশগ্ৰহণ কৰে। ডাঃ দীপামণি শইকীয়াই অনুষ্ঠানত ধঁপাতৰ ব্যৱহাৰৰ ক্ষতিকাৰক প্ৰভাৱৰ ওপৰত এক প্ৰেজেন্টেশ্যন দেখুৱায়। শিৱসাগৰ জিলাৰ আয়ুক্ত আয়ুস গাৰ্গে (ভা প্ৰ সে), এই ‘ধঁপাত মুক্ত যুৱ অভিযান - ৩.০’ৰ সফল ৰূপায়ণৰ বাবে শিৱসাগৰৰ যুৱ সমাজক আহ্বান জনাইছে। উল্লেখ্য যে, ধঁপাত মুক্ত গাঁও অভিযানো এই অভিযানৰ অন্তৰ্গত বুলি জিলা গণমাধ্যম তথা জনসম্পৰ্কৰক্ষী বিষয়া অঞ্জুশ্ৰী ফুকনে জানিবলৈ দিয়ে।

# শুৱালকুছিৰ ৰিতম পুথিভঁৰালত কবিতা আৰু গীতেৰে জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি

## সহস্ৰজনে ৰাজপথত সমস্বৰে গালে মায়াবিনী গীত



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** ৰিতম পুথিভঁৰাল শুৱালকুছিৰ উদ্যোগত ১৬ অক্টোবৰত অসমৰ হৃদয় স্পন্দন জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনোৱা হয়। পুথিভঁৰালৰ সঞ্চালক বিকাশ কলিতাই প্ৰথমে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তিপ্ৰজ্বালন আৰু পুস্পাঞ্জলিৰে শ্ৰদ্ধাঞ্জলি জনায়। সমান্তৰালভাৱে কবিতা কলিতা, যোগেন্দ্ৰ ভৰালী, জুবিন ফেন ক্লাবৰ অংশুমান দাস, লিখক ৰবীন পাঠক, ইন্দ্ৰ কান্ত বৈশ্য, চিত্ৰ শিল্পী দুৰ্গা দাস, বাঁহী বাদক নিকুঞ্জ পাঠক, সংগীত শিল্পী তাৰেণী চৰণ বৰুৱা, ৰুবী বৈশ্যয়ো জুবিনৰ প্ৰতিচ্ছবিত বন্তিপ্ৰজ্বলন কৰে। একেখন মঞ্চতে যমুনা দুলু বৈশ্য, ৰুক্মিণী দাস, নিলিমা দাস, ললিতা দাস, সংগীতা কলিতা, পূৰবী শৰ্মা, উৰ্মি দেবী, কস্তুৰী মেধি ডেইজী বৈশ্য, কবিতা কলিতা আৰু সোণ শৰ্মাই জুবিনৰ কবিতেৰে শ্ৰদ্ধাঞ্জলি দিয়ে। আনহাতে সংগীতা ৰাজবংশী, ইস্পিতা কুমাৰী, জিমি দেৱী অভিষেক দাস, মনোজ দাস কস্তুৰী মেধি, ভায়োলিনা বৈশ্য, ফ্লৰিণা বৈশ্য, তাৰিণী চৰণ বৰুৱা, নয়নমণি দাস, নাৰায়ণ দাস আৰু তিনি বছৰীয়া শিশু শিল্পী বিভাঞ্চু দাসৰ কণ্ঠতো ৰৈ ৰৈ বিনালে জুবিনৰ গীত নিগৰাই শ্ৰদ্ধাঞ্জলি দিয়াৰ লগতে জুবিনৰ ন্যায়ৰ দাবীত সহস্ৰজনে ৰাজপথত সমস্বৰে মায়াবিনী গীত পৰিৱেশন কৰে। অনুষ্ঠানটি আঁত ধৰে জ্যেষ্ঠ সাংবাদিক হৰিপ্ৰসাদ দাসে।

# ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ ‘এণ্টি ৰেগিং কোষ’ৰ উদ্যোগত অনুষ্ঠিত প্ৰতিযোগিতাৰ বঁটা বিতৰণী অনুষ্ঠান




**ষ্টাফ ৰিপৰ্টাৰ ডিব্ৰুগড় ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্ত শাসিত)- ‘এণ্টি ৰেগিং কোষে’ মহাবিদ্যালয়খন ৰেগিং শূন্য কৰি ৰখাত বিশেষ ভূমিকা পালন কৰি আহিছে। প্ৰতি বছৰে মহাবিদ্যালয়খনত ৰেগিং বিৰোধী সজাগতা সভা অনুষ্ঠিত কৰাৰ উপৰিও এণ্টি ৰেগিং সপ্তাহ উদ্‌যাপন কৰি আহিছে। এই পৰিপ্ৰেক্ষিতত শ্ল’গান লিখন, পোষ্টাৰ অংকণ প্ৰতিযোগিতা আদিৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে বাটৰ নাট প্ৰদৰ্শন কৰি আহিছে। শেহতীয়াভাৱে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক তথা ‘বিদ্যা দ্যা লিভিং স্কুল’ৰ প্ৰতিষ্ঠাপক ড° প্ৰাঞ্জল বুঢ়াগোহাঁয়ে ‘কৃতজ্ঞতা’ শীৰ্ষক এক মননশীল বক্তৃতা প্ৰদান কৰে। অনলাইন শ্ল’গান লিখন আৰু পোষ্টাৰ অংকণ প্ৰতিযোগিতাৰ বঁটা বিতৰণী অনুষ্ঠানত বিজয়ীসকলক বঁটা প্ৰদান কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত লুকাই থকা সুপ্ত প্ৰতিভাক জাগ্ৰত কৰিবৰ বাবে এণ্টি ৰেগিং কোষে গ্ৰহণ কৰা পদক্ষেপক ভূয়সী প্ৰশংসা কৰাৰ লগতে বিজয়ী ছাত্ৰ-ছাত্ৰীসকলক শুভেচ্ছা জ্ঞাপন কৰে আৰু অনাগত দিনত আৰু অধিক আগুৱাই যোৱাৰ বাবে আশীৰ্বাদ প্ৰদান কৰে। অধ্যক্ষ গৰাকীয়ে লগতে ছাত্ৰ-ছাত্ৰীসকলক ৰেগিঙৰ দৰে সামাজিক ব্যাধিত আক্ৰান্ত নহৈ সমাজৰ বিভিন্ন গঠনমূলককামত ব্ৰতী হৈ বিশ্বত নিজৰ লগতে দেশৰ নাম আগুৱাই নিবলৈ আহ্বান জনায়। বঁটা প্ৰদান অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি অসম আদিত্য কাকতৰ সম্পাদক মনজিত বৰাই বিজয়ীসকলক বঁটা প্ৰদান কৰাৰ লগতে এক শুভেচ্ছামূলক বক্তৃতাও প্ৰদান কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, এণ্টি ৰেগিং কোষৰ অধ্যক্ষ ড° মৰমী তালুকদাৰ, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকন, এণ্টি ৰেগিং কোষৰ সক্ৰিয় সদস্য অধ্যাপক ৰাজীৱলোচন বৰাকে প্ৰমুখ্য কৰি ভালেকেইজন অধ্যাপক- অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনলাইন মাধ্যমত অনুষ্ঠিত প্ৰতিযোগিতাখনিৰ বহুসংখ্যক প্ৰতিযোগীৰ মাজত নৃতত্ব বিভাগৰ জিজ্ঞাসা কোঁচে সৃজনীমূলক পোষ্টাৰ অংকণত বিশেষ বঁটা, শ্ল’গান লিখন প্ৰতিযোগিতাত উদ্ভিদ বিজ্ঞান বিভাগৰ তুষাৰ ঘৰফলীয়াই প্ৰথম, দৰ্শন বিভাগৰ বন্দিতা পাদুনে দ্বিতীয়, ৰসায়ন বিজ্ঞান বিভাগৰ নন্দিতা দাস আৰু ইংৰাজী বিভাগৰ অংশুমান গগৈয়ে যুটীয়াভাৱে তৃতীয় পুৰস্কাৰ লাভ কৰে।

# বটদ্ৰৱাত গণশিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ এমহীয়া তিথি উপলক্ষে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান




**জয়ন্ত মুদৈ, নগাঁও ঃ** প্ৰতিজন অসমীয়াৰ হিয়াৰ আমঠু গণশিল্পী জুবিন গাৰ্গৰ সন্দেহজনক মহাপ্ৰয়াণে এমাহ অতিক্ৰম কৰিলে। সুমধুৰ সংগীতেৰে সকলোৰে হৃদয় জয় কৰিবলৈ সক্ষম হোৱা মৰমৰ শিল্পীজনক কায়িকভাৱে হেৰুৱাই আজিও মৰ্মাহত হৈ আছে প্ৰতিজন অসমীয়া। প্ৰিয় শিল্পীজনক হেৰুৱাই শোকত ভাগি পৰা জনতাই তেওঁৰ মৃত্যুৰ এমহীয়া তিথি উপলক্ষে ৰাজ্যৰ প্ৰান্তে বিভিন্ন কাৰ্যসূচীৰে গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে। ইয়াৰ অংশ হিচাপে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ পবিত্ৰ জন্মভূমি বটদ্ৰৱাত প্ৰাণৰ শিল্পীজনৰ মৃত্যুৰ এমাহ সম্পূৰ্ণ হোৱা উপলক্ষে দিনযোৱা কাৰ্যক্ৰমণিকাৰে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। বটদ্ৰৱা সচেতন যুৱ সংঘৰ সৌজন্যত বটদ্ৰৱা সৰুহিছা ৰাজহুৱা মঞ্চত অনুষ্ঠিত হোৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত স্থানীয় বিধায়ক ৰূপক শৰ্মা উপস্থিত থাকি অমৰ শিল্পীজনলৈ পুস্পাঞ্জলি অৰ্পণ কৰে। বিধায়কগৰাকীয়ে জুবিন গাৰ্গৰ স্মৃতি ৰোমন্থন কৰি আৱেগিক হৈ পৰাৰ লগতে কয় যে- জুবিন গাৰ্গ বিহীন ত্ৰিশ দিন। অসহনীয় বেদনাদায়ক। অসমীয়াই কেতিয়াও, কোনোকালে জুবিন গাৰ্গক পাহৰিব নোৱাৰিব। জুবিন গাৰ্গৰ আকস্মিক মৃত্যুত আজিও শোকস্তব্ধ ৰাজ্যবাসী। প্ৰিয় শিল্পীজনক হেৰুৱাই আমি আজিও স্বাভাৱিক হ’ব পৰা নাই। ইয়াৰ পূৰ্বে দিনযোৱা কাৰ্যসূচীৰ অংশহিচাপে পুৱা বন্তি প্ৰজ্বলন কৰে আলিপুখুৰী শাখা সাহিত্য সভাৰ সভাপতি ইন্দ্ৰমোহন বৰুৱাই। তদুপৰি দুপৰীয়া কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ‘জুবিনৰ জীৱন আৰু গান’ শীৰ্ষক কুইজ প্ৰতিযোগিতাখনি পৰিচালনা কৰে সাংবাদিক তথা জনপ্ৰিয় কুইজ মাষ্টাৰ দিব্যজ্যোতি বৰুৱাই। বিয়লি চিত্ৰাংকন প্ৰতিযোগিতাৰ অন্তত সন্ধিয়াৰে পৰা সাংবাদিক কন্দৰ্প কুমাৰ কলিতাই আঁত ধৰা ‘গীতে-মাতে জুবিন গাৰ্গক স্মৰণ’ শীৰ্ষক ব্যতিক্ৰমী অনুষ্ঠানত সাহিত্যিক, সমাজকৰ্মী জগন্নাথ জ্যোতি বৰা, শিল্পী দিপাংক গিৰি দেৱ গোস্বামী, সাংবাদিক জগন্নাথ কলিতা, ৰাকেশ বনিককে আদি কৰি বহুকেইজন বিশিষ্ট ব্যক্তিৰ লগতে শতাধিক জুবিন অনুৰাগী উপস্থিত থাকে।

# চিজিজি থিয়েটাৰৰ পদক্ষেপ




**লাৱণ্য দেৱী ঃ** চিজিজি থিয়েটাৰৰ উদ্যোগত নিউ গুৱাহাটী বিধান সভা সমষ্টিৰ অন্তৰ্গত বৰবাৰী চাৰিআলিত কাতি বিহু উপলক্ষে মাটিৰ চাকি আৰু তুলসী পুলি বিতৰণ কৰা হয়। মৃৎশিল্পী সকলক উৎসাহিত কৰাৰ বাবে চিজিজি থিয়েটাৰৰ এই পদক্ষেপক ৰাইজে ভূয়সী প্ৰশংসা কৰে।

# কাৰ্বি আংলঙৰ বিনীতা চেত্ৰীৰ সৈতে এক অন্তৰংগ আলাপ



**Sony TV** ৰ Super Dancer 4 ত নৃত্য প্ৰদৰ্শন কৰা আৰু Britain Got Talent অনুষ্ঠানত ভাৰতক প্ৰতিনিধিত্ব কৰা অসমৰ কাৰ্বি আংলং জিলাৰ ৯ বছৰীয়া কণমানি নৃত্য শিল্পী **বিনীতা চেত্ৰী**ৰ সৈতে ম'বাইল ফোনযোগে হোৱা এক অন্তৰংগ আলাপৰ সম্পাদিত ৰূপ পাঠকৰ বাবে আগবঢ়োৱা হ'ল-

■ **বিনীতা তুমি নৃত্যৰ প্ৰতি কেনেকৈ আকৰ্ষিত হ'লা আৰু তুমি কেনেকৈ নৃত্য শিকিছিলা?**

**বিনীতা চেত্ৰী ঃ** মই যেতিয়া তিনি বছৰ বয়সৰ আছিলোঁ তেতিয়া মই মোৰ পেহীক নৃত্য কৰা দেখিছিলোঁ। পেহীক নৃত্য কৰা দেখি নৃত্যৰ প্ৰতি মই আকৰ্ষিত হ'লো আৰু তাৰপিছত মই নৃত্য কৰিবলৈ ধৰিলো।

■ **তোমাৰ মা দেউতাৰ বিষয়ে অলপ কোৱাচোন?**

**বিনীতা চেত্ৰী ঃ** মোৰ দেউতাৰ শ্ৰীঅমন চেত্ৰী আৰু মাৰ নাম শ্ৰীমতী নীতু চেত্ৰী। মোৰ দেউতা ড্ৰাইভাৰ আৰু মা ঘৰৰ গৃহিণী।

■ **Sony TV ৰ Dance ৰ Reality Show Super Dancer 4 ত নৃত্য প্ৰদৰ্শন কৰোঁতে তাৰ তিনিজন বিচাৰক গীতা মেম, শিল্পা চেট্টি আৰু অনুৰাগ বাসুক লগ পোৱাৰ অভিজ্ঞতাৰ বিষয়ে অলপ কোৱাচোন?**

**বিনীতা চেত্ৰী ঃ** তেওঁলোকক লগ পাই ভালেই লাগিল। এক Reality Show আছিল সেইবাবে তালৈ গৈ মোৰ খুব ভাল লাগিল। Audition দিবলৈ মই প্ৰথম কলিকতালৈ গৈছিলোঁ। কলিকতাত মোৰ Dance ৰ Audition হ'ল আৰু মই তাত নিৰ্বাচিত হোৱাৰ পিছত মোক মুম্বাইলৈ মাতিলে।

■ **নৃত্যৰ বাদে তোমাৰ অন্য কিবা বিষয়ত ৰুচি আছে নেকি?**

**বিনীতা চেত্ৰী ঃ** মই বেডমিন্টন খেলি আৰু পঢ়ি ভাল পাওঁ।

■ Britain Got Talent অনুষ্ঠানলৈ তুমি কেনেকৈ গ'লা আৰু সেই Reality Show ত নৃত্য প্ৰদৰ্শন কৰি তোমাৰ কেনেকুৱা অনুভৱ হৈছিল?

**বিনীতা চেত্ৰী ঃ** Britain Got Talent অনুষ্ঠানৰ Auditoin On Line Through হৈছিল। Instragramত মোৰ এটা Video Viral হৈছিল। সেই Video টো Britain Got Talent অনুষ্ঠানৰ Team Member য়ে লাভ কৰিছিল। তাৰপিছত তেওঁলোকে Instragram ত এনেদৰে মেচেজ দিছিল যে বিনীতাৰ এই নৃত্য প্ৰদৰ্শনটো ভাল লাগিছে আৰু আমি বিনীতাক এই Show টোৰ বাবে Select কৰিছোঁ এনেকৈ এক মেচেজ Instragramত আহিল আৰু তিনি দিনৰ পিছত মোৰ পেহীয়ে সেই মেচেজটো Instragramত Check কৰি পালে আৰু মই চাৰৰ লগত কথা পাতিলো। এনেকৈয়ে মোৰ Britain Got Talent অনুষ্ঠানৰ বাবে নিৰ্বাচন হৈছিল। তাত উপস্থিত হৈ অনুভৱটো মোৰ ভালেই আছিল। তাৰ মানুহৰ Support, মৰম মোৰ প্ৰতি খুবেই ভাল আছিল। Britain Got Talent অনুষ্ঠানৰ বিচাৰকসকলৰ পৰা খুব ভাল Respond মই লাভ কৰিছিলোঁ। বিচাৰকসকলে মোক Appreciate কৰি কৈছিল যে ইমান কম বয়সতে এনে নৃত্য প্ৰদৰ্শন কৰা আমি আগতে কেতিয়াও দেখা নাই। এনে নৃত্য প্ৰদৰ্শন আমি প্ৰথমবাৰ দেখিছোঁ।

■ **নৃত্যত তুমি নিজৰ আদৰ্শ বুলি কাক ভাবা?**

**বিনীতা চেত্ৰী ঃ** প্ৰথমে মই মোৰ পেহীকে মোৰ নৃত্যৰ গুৰু তথা আদৰ্শ বুলি ভাবো আৰু তাৰপিছত হাৰ্দিক ৰাৱত চাৰক মই মোৰ নৃত্যৰ গুৰু তথা আদৰ্শ বুলি বিশ্বাস কৰো।

■ **তোমাৰ প্ৰিয় খাদ্য?**

**বিনীতা চেত্ৰী ঃ** প্ৰিয় খাদ্য ভাত আৰু ডালি।

■ **তোমাৰ প্ৰিয় ৰং?**

**বিনীতা চেত্ৰী ঃ** প্ৰিয় ৰং পিংক।

■ **ভাৰতীয় নৃত্য তুমি ভাল পোৱানে?**

**বিনীতা চেত্ৰী ঃ** হয় ভাল পাওঁ।

■ **তুমি শাস্ত্ৰীয় নৃত্য শিকিছা নেকি?**

**বিনীতা চেত্ৰী ঃ** নাই শিকা।

■ **ভৱিষ্যতে নৃত্যৰ ক্ষেত্ৰত তোমাৰ কিবা পৰিকল্পনা আছে নেকি?**

**বিনীতা চেত্ৰী ঃ** বৰ্তমান মই নৃত্যৰ ক্ষেত্ৰত কোনো পৰিকল্পনা চিন্তা কৰা নাই। মই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত নৃত্যত ভাৰতক প্ৰতিনিধিত্ব কৰিব পাৰিছোঁ। এনেকৈয়ে মই নৃত্যৰ ক্ষেত্ৰত Hard Work কৰি যাম আৰু ভাৰতক প্ৰতিনিধিত্ব কৰি থাকিম।

■ **তোমাৰ প্ৰিয় শব্দ কি?**


**বিনীতা চেত্ৰী ঃ** মই ভগৱান মহাদেৱ আৰু ভগৱান শ্ৰীকৃষ্ণক খুব বিশ্বাস কৰো। সেয়েহে হৰ হৰ মহাদেৱ, ৰাধে ৰাধে আৰু জয় শ্ৰীকৃষ্ণ মোৰ প্ৰিয় শব্দ।

■ **যেতিয়া তুমি স্কুললৈ যোৱা তোমাক দেখি স্কুলৰ চাৰ-বাইদেউ আৰু তোমাৰ লগৰ বন্ধু-বান্ধৱীসকলে কি প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰে?**

**বিনীতা চেত্ৰী ঃ** তেওঁলোক মোক লৈ যথেষ্ট সুখী কাৰণ মই যেতিয়া প্ৰথম Reality Show লৈ গৈছিলোঁ তাৰপৰা আৰম্ভ কৰি International Showত মই নৃত্য প্ৰদৰ্শন কৰিছোঁ। সেইবাবে মোৰ স্কুলৰ চাৰ-বাইদেউ আৰু মোৰ লগৰ বন্ধু-বান্ধৱীসকল মোক লৈ যথেষ্ট সুখী।

*সাক্ষাৎকাৰ গ্ৰহণ কৰোঁতা*
**কুলদীপ শইকীয়া**
ৰত্নপুৰ, পলিৰোড
(কেন্দ্ৰীয় বিদ্যালয়ৰ সন্মুখত) নগাঁও
**ম'বাইল ঃ** ৮৪৭৪০-৯৩১৬৮

# সুদক্ষ অভিনেতা-পৰিচালক, বিশিষ্ট নাট্যকৰ্মী গণেশ হাজৰিকাৰ জীৱনাৱসান



**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত ৰাইদঙীয়াৰ কৰচোং সত্ৰ নিৱাসী বিশিষ্ট নাট্যকৰ্মী, সুদক্ষ অভিনেতা, নাট্যকাৰ, পৰিচালক গণেশ হাজৰিকাৰ দেওবাৰে নিশা আকস্মিকভাৱে দেহাৱসান ঘটে। বিগত কিছু বছৰ ধৰি শ্বিলঙৰ এটা কোম্পানীৰ মেডিকেল বিভাগত কৰ্মৰত হৈ থকা হাজৰিকাই শনিবাৰে কোম্পানীৰ কামৰ বাবে গৈ থকা অৱস্থাত শ্বিলঙত সংঘটিত হোৱা এক শোকাৱহ পথ দুৰ্ঘটনাত থিতাতে প্ৰাণত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫৩ বছৰ। নব্বৈৰ দশকত বিশিষ্ট নাট্যকাৰ, পৰিচালক অজিত বৰঠাকুৰে ৰাইদঙীয়াত জন্ম দিয়া অপেছাদাৰী নাট্যগোষ্ঠী 'ফিফটিন ফ্ৰেইণ্ড'ৰ জৰিয়তে হাজৰিকাই অভিনয় জগতত ভৰি দিছিল। বৃহত্তৰ ৰাইদঙীয়া অঞ্চলক বলিষ্ঠ নাট্যকৰ্মৰে গৌৰৱান্বিত কৰি তোলা হাজৰিকাই সুনিপুণ অভিনয়ৰ সমানে সমানে বহু সংখ্যক নাটক ৰছনা কৰাৰ উপৰিও বহু নাট পৰিচালনাৰে নাট্যপ্ৰেমীৰ অন্তৰ জয় কৰিবলৈ সক্ষম হৈছিল। বিশেষকৈ তেওঁ বহু সংখ্যক নাটকত ৰূপায়ণ কৰা মনপৰশা কৌতুক অভিনয় দৰ্শকে কেতিয়াও পাহৰিব নোৱাৰিব। সুদক্ষ অভিনয়ৰ জৰিয়তে সাংস্কৃতিক ক্ষেত্ৰখনত এক সুকীয়া স্থান দখল কৰা হাজৰিকা অসমৰ জনপ্ৰিয় অভিনেত্ৰী চেতনা দাস, অভিনেতা উৎপল দাস, অৰুণ হাজৰিকাকে ধৰি বহু জনপ্ৰিয় শিল্পীৰ ঘনিষ্ঠ সান্নিধ্য লাভ কৰাৰ সমান্তৰালভাৱে তেওঁ নিজৰ প্ৰতিভাৰ বলত অসমৰ বহু মঞ্চত শ্ৰেষ্ঠ অভিনেতাৰ বঁটা আজুৰি আনিবলৈ সক্ষম হৈছিল। তেওঁ শেহতীয়াভাৱে অসমৰ টেলিভিছনৰ সৰ্বাধিক জনপ্ৰিয় ধাৰাবাহিক 'বেহাৰবাৰী আউটপোষ্ট'ৰ কেইবাটাও খণ্ডত ভূমুকি মাৰি দৰ্শকক মন্ত্ৰমুগ্ধ কৰি তোলাৰ বিপৰীতে ইতিমধ্যে তেওঁ 'অঞ্জনা', 'টেটোন তামুলী', 'বীন বৈৰাগী', 'এক আছিল ভকত', 'বিশ্বাসে মিলয় হৰি'কৈ আদি কৰি কুৰিখনৰো অধিক চুটি ছবিত অভিনয় কৰি নিজৰ প্ৰতিভাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিছিল। আনকি মুক্তিৰ পথত থকা জনপ্ৰিয় অভিনেতা সিদ্ধাৰ্থ শৰ্মাৰ লগত অভিনয় কৰা এখন নতুন অসমীয়া বোলছবিতো তেওঁ অভিনয় কৰি থৈ গৈছে। এনে এজন সুদক্ষ অভিনেতাৰ এনে আকস্মিক বিয়োগত বৃহত্তৰ ৰাইদঙীয়াৰ লগতে সমগ্ৰ জিলাখনতে গভীৰ শোকৰ ছাঁ পৰিছে। সৰুবৰ সকলোৰে মাজত সুসম্পৰ্ক বৰ্তাই ৰখা সৎ, অমায়িক আৰু সৰল মনৰ হাজৰিকাৰ অকাল মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তি বিশেষে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে। তেওঁৰ মৃত্যুত স্থানীয় বিধায়ক ৰূপক শৰ্মাই শোক প্ৰকাশ কৰি সুদক্ষ অভিনেতা গৰাকীৰ বিয়োগ নগাঁৱৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ বাবে বৃহৎ ক্ষতি বুলি মন্তব্য কৰে। মৃত্যুৰ সময়ত তেওঁ মাতৃ আৰু পত্নীসহ বহু আত্মীয়-স্বজনক ইহ সংসাৰত এৰি থৈ যায়।

# লক্ষীমপুৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশনৰ আদৰণী সমিতি গঠন




**বিশেষ সংবাদদাতা শিমলুগুৰি ঃ** অসম সাহিত্য সভাৰ অন্যতম সক্ৰিয় লক্ষীমপুৰ জিলা সাহিত্য সভাৰ আগন্তুক, জানুৱাৰীৰ মধ্যকালীন অধিৱেশনৰ বাবে এখন শক্তিশালী আদৰণি সমিতি গঠন কৰা হয়। শিমলুগুৰি শাখা সাহিত্য সভাৰ আতিথ্যত হ'ব লগা এই অধিৱেশন সাফল্য-মণ্ডিত কৰি তোলাৰ লক্ষ্যৰে শিমলুগুৰি প্ৰেছ ক্লাবত যোৱা - ইং ২০ অক্টোবৰত আয়োজিত ৰাজহুৱা দলত সভাপতিত্ব কৰে কবি, শিক্ষক তথা শাখাৰ সভাপতি বিতোপন গগৈয়ে। সম্পাদক দীপক ইছলাৰী আৰু সহঃ সম্পাদক টংকেশ্বৰ গগৈয়ে আঁত ধৰা সভাখনৰ প্ৰাকমুহূৰ্তত যুৱপ্ৰজন্মৰ হিয়াৰ আমঠুস্বৰূপ, শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি শাখাৰ উপ-সভাপতি তথা অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী ইন্দিৰা গগৈ ফুকনে সাৱলীল বক্তব্য আগবঢ়ায়। পৰৱৰ্তী সময়ত সদস্যাসকলে সোণমনি শইকীয়াৰ নেতৃত্বত 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতেৰে সভাৰ আৰম্ভণি কৰে। লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সম্পাদক প্ৰবীণ হাজৰিকাই বিস্তৃতভাৱে মধ্যকালীন অধিৱেশন প্ৰসঙ্গত বক্তব্য ৰাখে আৰু আজীৱন সভ্যৰ কিছু মানপত্ৰ প্ৰদান কৰে। প্ৰাক্তন সভাপতি তথা অৱসৰপ্ৰাপ্ত শিক্ষক জীৱন সন্দিকৈ, অভিনেতা ৰাজু বৰা, অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া লোহিত গগৈ, শিক্ষয়িত্ৰী পল্লৱী বৰা, আৰাধনা বৰচেতীয়া, জয়ৰাম গগৈ, বিতুল বৰা, সাংবাদিক চিত্ৰনাথ গগৈ আদিয়ে অধিৱেশনৰ সফলতা কামনা কৰি বক্তব্য ৰখা সভাত উপস্থিত থাকে। আজীৱন সভ্য তথা পশ্চিম শিমলুগুৰি উঃমাঃ বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক ভদ্ৰেশ্বৰ গগৈ, নাওঘুলি- বহুপথাৰ মধ্য ইং বিদ্যালয়ৰ শিক্ষয়িত্ৰী দশমী বৰবৰুৱা, ৰাজগড় জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী কুঞ্জ লাহন, শিক্ষয়িত্ৰী বীনা দত্ত, ৰেখামনি হাতীবৰুৱা, অভিনেত্ৰী মনিকা ফুকন, শিমলুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক প্ৰফুল্ল দৈমাৰী, নিৰোদ গগৈ, শিক্ষয়িত্ৰী ৰশ্মিৰেখা বৰুৱা, হেম গগৈ, ৰমেন দত্ত আদি। উক্ত সভাত সমিতি গঠন কৰা হয়। সভাপতি ডিম্বেশ্বৰ ফুকন (অৱসৰ প্ৰাপ্ত অধ্যক্ষ), কাৰ্যকৰী সভাপতি অনন্ত গগৈ (শিক্ষক), উপ-সভাপতি ক্ৰমে শিৱপ্ৰসাদ বৰা, ৰাতুল গগৈ আৰু সম্পাদক যোগানন্দ গগৈ। জিলাৰ সাংগঠনিক সম্পাদক দেৱজিৎ দুৱৰাই সকলোকে শলাগ জ্ঞাপন কৰে।

# শেৱালি

**ৰূপালী গগৈ চুতীয়া**
ডিব্ৰুগড়

মোলৈ থকা হেঁপাহবোৰ
সদায় বুকুত ৰাখিবা
জীৱনত লগপোৱাৰ আশা
হেৰুৱায় নেপেলাবা।
এদিন লগ হ'ম
অন্তৰ খুলি কথা পাতিম
হাতত হাত থৈ
আপোন পাহৰি
দুয়ো দুয়োৰে চকুত
বিভুৰ হৈ এক হৈ চাম।
সেই ক্ষণত ....
বাউলী বতাহে লাজত
আঁতৰি গৈ
বোৱতী নদীত আশ্ৰয় ল'ব,
নাচি থকা ফুলে থমকি ৰ'ব।
আবেলি বেলিয়ে ডুব গৈ
অন্ধাৰক সাৰটি ল'ব
উভতনি পখীয়ে বৈ বৈ চাব।
তোমাৰ সান্নিধ্যত
ধৰালৈ এজাক চিপচিপীয়া
বৰষুণ নামি উমান দিব
এইয়া শৰতৰ বতৰ
শৰতৰ বতৰ।

# হে হৃদয়ৰ সম্ৰাট তোমাক প্ৰণাম

**ড° জিন্টুমনি বৰা**

জুবিন দা বুলি ক'লে সকলোৰে
হৃদয়ৰে বৈ থাকে গান শুনিবলৈ,
এতিয়া অনাহুত পৰিস্থিতি
মানুহ দিশহাৰা দুখী হৈ বৈ আছে মৃতদেহ দৰ্শনৰ বাবে,

এয়াই যে দশা আছিল
অসমবাসীৰ
দৰ্শন কৰিব প্ৰিয় শিল্পী
অকাল মৃত্যুৰ মৃত দেহ।

কিন্তু তোমাৰ কায়িক দেহ
নোহোৱা হ'লেও আকাশে বতাহে
নদীয়ে পাহাৰে
হৃদয়ে হৃদয়ে তুমি
বিৰাজ কৰিবা অবিৰাম
অমৰহৈ চিৰ যুগলৈ।

# আমাৰ কাতি বিহু

**ছেলিমা বেগম**
নগাঁও

বিহু, বিহু, বিহু অসমৰ তিনিটা,
অসমৰ জাতীয় উৎসৱ কাতি বিহু এটা।
আহিন আৰু কাতি মাহৰ সংক্ৰান্তিৰ
দিনটো কাতি বিহু
অভাৱ অনাটনৰ বাবে
এই বিহু কঙালী বিহু নাম।
লোক বিশ্বাস মতে
তুলসীৰ তলে চাকি
পথাৰত মাজত চাকি
লখিমী আদৰা
আকাশ বন্তি জ্বলাই
কাতি বিহু পালন কৰা হয়।
এই খিনি হৈছে অসমীয়া
সমাজত লোক বিশ্বাস।
আধ্যাত্মিক জ্যোতিৰে
আলোকিত কৰা মূল উদ্দেশ্য।
সন্ধিয়া সময়ত পথৰ হয় আলোকিত,
কৃষকৰ প্ৰচলিত এই প্ৰাৰ্থনা কৰে
ধাননি পথাৰত থোক মেলা
শস্য নষ্ট নহয় বুলি বিশ্বাস কৰে।

# জুবিন দা

**আনিছুৰ ৰহমান**

আমাক বোকাত নচুৱাব কোনে।
গছত উঠি ফাংচন চালে
মৰিবি ঐ নামি আহ ফুচুকি হাঁহি মাৰি ক'ব আমাক
কোনে।
দিশহাৰা তোমাৰ অনুৰাগী তোমাৰ গান গায় কান্দি
থকা।
শিশু ৰ মাকক বুজাব আহিব
কোনে।
তুমি আছিলা জাতিৰ সত্তা
নিশ্চিদ্ৰ প্ৰহৰী জাতিৰ বিপদত
মাত দিব কোনে।
সাধাৰণ মানুহৰ দৰে আছিলা
জীপাল কৰি সমাজ,
সাহস দিব আমাক
কোনে?
নাই তোমাৰ ধৰ্মৰ মতভেদ
তুমি আছিলা মুক্ত, কহিনুৰ
কাঞ্চনজঙ্ঘা হ'ব
কোনে।
নতুন প্ৰজন্মক আঙুলিত
ধৰি মঞ্চত উঠাব আজি
কোনে?
অনুজক প্ৰেৰণা দিলা গান
লিখিবলৈ
গাম বুলি উৎসা
দিব আজি কোনে।
জুবিন দা সুৰৰ মায়াৰে
জনতাৰ হৃদয়ত তুমি।
অভিমানী কথাৰে তুমি সদায়ে অমৰ
অনন্ত সময়লৈ..।
তুমিহীন উকা এই ধৰণী।



# বিশ্বাসঘাটকতা

**হেৰম্ব নাথ**

টাবত থকা
ফুলজোপাতেই আত্মহত্যা কৰিলে
সপোনটোৰে
যিজোপা ফুলত হাত থৈ তুমি
কথা দিছিলা
মই তোমাক ভালপাওঁ বুলি
ফুলজোপাৰ দৰেই
হিয়াখন ফুলি উঠিছিল
কিন্তু তোমাৰ হিয়াখন
কোমলতাবিহীন আছিল।
আচলতে মোৰ ভ্ৰম হৈছিল
কিয়নো ফুলজোপা আছিল কৃত্ৰিম
যিদৰে তোমাৰ মৰম আৰু ভালপোৱা আছিল
কৃত্ৰিম।

ম'বাইল ঃ ৭০০২৭-৯৭৫৪০

# নিৰ্বাক সময়

**প্ৰভাত বণিয়া**

মন জ্বলিছে ডেই পুৰি মৰিছো
মধুময় দিন আজি নিৰ্বাক নিস্পন্দন, জঠৰ
চঞ্চলা চপলা বুকুৰ যমুনা
নাহিব নেকি আকৌ উভতি ফুলতী ফাগুন
নুফুলিবনে পদূলিৰ ৰক্তজবা সুগন্ধি শেৱালি
নিজান নৈ পাৰৰ লিহিৰি কহুৱা বন
সময় দুঃসময় শোক-গাথা সেমেকা সহস্ৰ চকু
পাই হেৰুৱাৰ বেদনা গধুৰ মুক সমদল
জোৰ লৈ যাত্ৰা অনিৰুদ্ধ,
উভতাই অনাৰ পণ
হে প্ৰিয় সখা আহিবা আকৌ গাবা গান
প্ৰাণ পাব জাতি মাটি, গুণমুগ্ধ
দেশৰ জনগণ।

# হিয়াৰ আমঠু তুমি জুবিন দা

**আয়শা ছিদ্দিকা (আছৰি)**
বাংলিপাৰা, বৰপেটা

অসমীয়াৰ হাৰ্টথ্ৰৱ জুবিন দা
তুমি যে হিয়াৰ আমঠু
তুমি অবিহনে আগন্তুক সময়
সপোনতো কল্পনা কৰা টান
কিন্তু নিয়তিৰ নিৰ্মম পৰিহাস
সকলোৰে বুকু উদং কৰি
হৃদয়খন শূণ্য কৰি
কাঢ়ি নিলে নিৰ্দয়ভাৱে কৰুণতাৰে।
জুবিন দা।
তোমাৰ বিয়োগ হোৱা বুলি
অবুজন মনটোক বুজাব পৰা নাই অ।
অনুভৱ হয় হঠাৎ তুমি ওলাই ক'বা
'মই মৰা নাই, মই নমৰো এতিয়াই'
কিন্তু...।
ক্ষুব্ধ সময়ত যেন প্ৰকৃতি, পৰিৱেশো
বেজাৰত উচুপি আছে মনে মনে
অব্যক্ত ক্ষত হৃদয়ত মৰ্ম বিষাদৰ
টোপাল যেন নিগৰিছে,
নীৰৱে নিস্তব্ধে আৱেগৰ
নিৰ্জন প্ৰভাতৰ আঁচল নিগৰি।
এটা যুগ শেষ হ'ল অ' জুবিন দা
এটা সুখৰ সূৰ্য্য অস্ত গ'ল
নাহাঁহে আৰু কোনোদিন
কোনো পুৱাই কোনোৰেও
শোকৰ ছাঁ তলতে কাটিব সময়।
তোমাৰ সাগৰ তলিত শুৱৰ মন বুলি
সাগৰ তলিতেই শুই দিলা
আকৌ কেতিয়াও উভতি নহাকৈ।
তুমি কোৱাৰ দৰে সঁচাই
মৃত্যু এতিয়া সহজ।
তোমাৰ পাখি পাখি লগা মন
আজি পাখি হৈ উৰি গ'ল
সকলোকে কন্দুৱাই কন্দুৱাই
মুক্ত নীলিম আকাশৰ বুকুত।
তোমাৰ সৃষ্টিৰ সুৰেৰেই
তোমাক বিদায় দিয়া যে
কিমান কষ্টকৰ সেইয়া বুজোৱা অসাধ্য।
তুমি যে হিয়াৰ আমঠু
সুখ-দুখৰ একমাত্ৰ লগৰী
তুমিয়েই অসমৰ এটি উজ্বল নক্ষত্ৰ
তুমি অবিহনে অসম যে এক
শেষ নোহোৱা অন্ধকাৰ জয়াল
বাটৰ মাজৰ স্তব্ধ হৈ ৰৈ থাকিব।
অসমীয়া ভাষা, অসমীয়া সংস্কৃতি
তুমি অবিহনে নিস্বঃ অ' জুবিন দা
তোমাৰ অভাৱ পূৰণ নহয় কাহানিও
চিৰদিন চিৰকাললৈ খালি হৈ থাকিব।
তোমালৈ একাঁজলি অশ্ৰুসিক্ত
শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিছোঁ
ভালে থাকিবা য'তেই থাকিবা
তোমাক পাহৰি নাযায় কোনেও
কেতিয়াও নাযায় পাহৰি
তুমি অমৰ হৈ ৰ'বা সকলোৰে
হৃদয়ৰ নিভাজ কোণত।

ম'বাইল ঃ ৯৩৬৫৬-৮১৯৬৮

# নগাঁৱত এ ডি আৰ ইত উত্তীৰ্ণ দৰিদ্ৰ কৰ্মচাৰীক অভিনন্দন-নগাঁও অনুসুচিত জাতি উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষৰ

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলা অনুসুচিত জাতি উন্নয়ন বৰ্ডৰ অধ্যক্ষ নৰেণ দাসে গ্ৰহণ কৰে এক প্ৰশংসনীয় পদক্ষেপ। সদ্য ঘোষিত এ ডি আৰ ই পৰীক্ষাত উত্তীৰ্ণ দৰিদ্ৰ পৰিয়ালৰ প্ৰাৰ্থীক অধ্যক্ষ দাসে ঘৰে ঘৰে গৈ অভিনন্দন জনায়। জিলাখনৰ ডাকৰঘাট, দক্ষিণপাট, মহমৰীয়া আদি অঞ্চলৰ পৰা নিযুক্তি পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰাৰ্থীক অভিনন্দন ও সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে সম্বৰ্ধনা জ্ঞাপন কৰা এই প্ৰাৰ্থী সকলৰ কাৰোৰেই ঘৰত চাকৰি নাই। নিযুক্তি পৰীক্ষাত উত্তীৰ্ণ হোৱা এই যুৱক-যুৱতীসকল কাঠমিস্ত্ৰী, ঠেলাচালক, তামোল-পাণৰ বেপাৰ কৰি জীৱিকা নিৰ্বাহ কৰি দুখ কষ্টৰে চলি থকা সন্তান। সম্বৰ্ধনা জনোৱা এই প্ৰাৰ্থীসকল হ'ল কৃষ্ণ মোহন দাস, পুৱালী শইকীয়া, মিণ্টু দাস, ৰূপম দাস, প্ৰশান্ত বৰা আদি। নৰেন দাসক এইক্ষেত্ৰত সহযোগিতা আগবঢ়াই দক্ষিণপাট গাঁও পঞ্চায়তৰ সভানেত্ৰী অনিমা দাস আৰু সমাজসেৱক নৱজ্যোতি দাসে। অধ্যক্ষ দাসে প্ৰাৰ্থীসকলক বিভিন্ন পৰামৰ্শ প্ৰদান কৰে। অধ্যক্ষ দাসৰ এই প্ৰয়াসক সকলোৰে প্ৰশংসা কৰিছে।

# দৰিদ্ৰতা নেওচি কঠোৰ পৰিশ্ৰম আৰু ত্যাগৰে উজ্বলিল মুকালমুৱাৰ চতেমাৰী গাঁৱৰ দেৱব্ৰত হালৈ




**শংকৰ দাস, মুকালমুৱা ঃ** দৰিদ্ৰতা নেওচি কঠোৰ পৰিশ্ৰম আৰু ত্যাগৰে উজ্বলিল মুকালমুৱাৰ চতেমাৰী গাঁৱৰ দেৱব্ৰত হালৈ। অসম আৰক্ষীৰ কনিষ্টবল পদত নিযুক্তি লাভ দেৱব্ৰত হালৈৰ। অসম চৰকাৰৰ স্বচ্ছ আৰু নিকা পদ্ধতিৰ চাকৰিত নিযুক্তি লাভ মুকালমুৱাৰ চতেমাৰী গাঁৱৰ দেৱব্ৰত হালৈৰ। কঠোৰ অনুশীলন আৰু অধ্যায়নৰ স্বীকৃতি লাভ কৰে দেৱব্ৰতৰ। ৬ বছৰীয়া কঠোৰ শাৰীৰিক অনুশীলন আৰু অধ্যয়নৰ ফলত চৰকাৰী নিযুক্তি লাভ দৰিদ্ৰ পৰিয়ালৰ দেৱব্ৰতৰ। লক্ষ্যস্থান স্থিৰ হ'লে সফলতা লাভ কৰিব পাৰি যে তাকেই প্ৰমাণ কৰি দেখুৱালে দেৱব্ৰত হালৈয়ে। অসম আৰক্ষীত নিযুক্তি লাভ কৰি ছয়বছৰীয়া ত্যাগ আৰু পৰিশ্ৰমৰ কথা বিৱৰিলে দেৱব্ৰত হালৈয়ে। সৰুৰে পৰা অসম আৰক্ষীৰ হতে জনহিতাৰ্তে সেৱা কৰাৰ মন আছিল দেৱব্ৰতৰ। উল্লেখ্য যে অসমৰ চৰকাৰৰ সদ্য নিযুক্তি প্ৰক্ৰিয়াত চতেমাৰী গাঁৱৰ দেৱব্ৰতৰ লগতে এগৰাকী যুৱতী আৰু আন এগৰাকী যুৱকে চৰকাৰৰ স্বচ্ছ নিকা পদ্ধতিৰে নিযুক্তি লাভ কৰে।

*প্ৰথম পৃষ্ঠাৰ পৰা*

# অন্তৰৰ সন্ধান ঃ ধৰ্ম বনাম আধ্যাত্মিকতা

ধৰ্মীয়ভাৱে জীৱন যাপন কৰিছে, কিন্তু তেওঁৰ এই কাৰ্যকলাপে তেওঁক আধ্যাত্মিক শান্তি বা আত্মজ্ঞানৰ দিশে লৈ যাবই বুলি কোনো নিশ্চয়তা নাই। আনহাতে, আন এজন ব্যক্তিয়ে কোনো ধৰ্মীয় অনুষ্ঠান নকৰিও প্ৰকৃতিৰ মাজত সময় কটাই, নিজৰ মনৰ শান্তি বিচাৰি বা জীৱনৰ অৰ্থৰ বিষয়ে চিন্তা কৰি আধ্যাত্মিক সন্তুষ্টি লাভ কৰিব পাৰে। এই দুয়োটা পথৰ মাজত কোনোটোৱেই ভুল বা শুদ্ধ নহয়, কিন্তু ইয়াৰ উদ্দেশ্য আৰু প্ৰকৃতি বেলেগ। ধৰ্মৰ সামাজিক দিশটোৱে মানুহক একত্ৰিত কৰে আৰু সমাজত নৈতিকতাৰ ভিত্তি প্ৰদান কৰে। ধৰ্মীয় উৎসৱ যেনে দুৰ্গা পূজা, ঈদ বা খ্ৰীষ্টমাছৰ দৰে উৎসৱে মানুহক একেলগে মিলিত হ'বলৈ, আনন্দ ভাগ কৰিবলৈ আৰু সমাজৰ বন্ধন শক্তিশালী কৰিবলৈ সুযোগ দিয়ে। কিন্তু কেতিয়াবা ধৰ্মৰ অত্যধিক কঠোৰ নিয়ম বা পৰম্পৰাই মানুহৰ মাজত বিভেদৰো সৃষ্টি কৰিব পাৰে। ইতিহাসত আমি দেখিছোঁ যে ধৰ্মৰ নামত যুদ্ধ, সংঘাত বা বিভেদৰ সৃষ্টি হৈছে। আনহাতে, আধ্যাত্মিকতাই এনে বিভেদৰ সৃষ্টি নকৰে, কাৰণ ই ব্যক্তিগত আৰু সাৰ্বজনীন। আধ্যাত্মিকতাই মানুহক সকলো জীৱৰ প্ৰতি সহানুভূতি, প্ৰেম আৰু শান্তিৰ ভাৱ জাগ্ৰত কৰে।

আধুনিক যুগত ধৰ্ম আৰু আধ্যাত্মিকতাৰ প্ৰতি মানুহৰ দৃষ্টিভংগী সলনি হৈছে। বহু লোকে ধৰ্মৰ কঠোৰ নিয়মৰ পৰা মুক্ত হৈ আধ্যাত্মিকতাৰ পথ বাছি লৈছে। তেওঁলোকে ধ্যান, যোগ বা মাইণ্ডফুলনেছৰ দৰে পদ্ধতিৰ জৰিয়তে নিজৰ মনৰ শান্তি আৰু জীৱনৰ অৰ্থ বিচাৰিবলৈ চেষ্টা কৰিছে। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে ধৰ্মৰ গুৰুত্ব কমিছে। ধৰ্মই এতিয়াও বহু লোকৰ জীৱনত শৃংখলা, নৈতিকতা আৰু সামাজিকভাৱ প্ৰদান কৰে। ধৰ্ম আৰু আধ্যাত্মিকতাৰ মাজৰ ভাৰসাম্যতাই মানুহৰ জীৱনক অধিক পূৰ্ণতা দিব পাৰে।

অসমীয়া সমাজতো ধৰ্ম আৰু আধ্যাত্মিকতাৰ এই দুয়োটা দিশৰ প্ৰভাৱ দেখা যায়। বৈষ্ণৱ ধৰ্মৰ পৰম্পৰা, নামঘৰৰ প্ৰাৰ্থনা বা বিহুৰ দৰে উৎসৱে আমাৰ সংস্কৃতিৰ ধৰ্মীয় দিশক প্ৰতিফলিত কৰে। একেদৰে, শংকৰদেৱৰ দৰে মহাপুৰুষৰ শিক্ষাই আধ্যাত্মিকতাৰ ওপৰত গুৰুত্ব দিছিল, য'ত ভক্তি আৰু আত্মজ্ঞানৰ কথা কোৱা হৈছিল। আধুনিক অসমীয়া সমাজতো বহু যুৱকে ধৰ্মৰ পৰা আঁতৰি আধ্যাত্মিকতাৰ পথ বিচাৰিছে, যাৰ ফলত যোগ, ধ্যান বা প্ৰকৃতিৰ সৈতে সংযোগৰ প্ৰতি আগ্ৰহ বাঢ়িছে।

ধৰ্ম আৰু আধ্যাত্মিকতা দুয়োটা জীৱনৰ গুৰুত্বপূৰ্ণ দিশ, কিন্তু ইয়াৰ প্ৰকৃতি আৰু উদ্দেশ্য বেলেগ। ধৰ্মই সমাজক একত্ৰিত কৰি নৈতিকতাৰ পথ দেখুৱায়, আনহাতে আধ্যাত্মিকতাই ব্যক্তিক নিজৰ অন্তৰৰ শান্তি আৰু জীৱনৰ অৰ্থৰ সন্ধানত সহায় কৰে। এই দুয়োটাৰ মাজৰ ভাৰসাম্যতাই মানুহৰ জীৱনক অধিক অৰ্থপূৰ্ণ কৰি তুলিব পাৰে। ধৰ্ম আৰু আধ্যাত্মিকতাৰ মাজত থকা পাৰ্থক্য বুজিলে আমি নিজৰ জীৱনৰ লক্ষ্য আৰু শান্তিৰ পথ বিচাৰি উলিয়াব পাৰোঁ।

# নামনি অসমৰ সভা-মহোৎসৱৰ ইতিহাসত বছৰৰ সৰ্বপ্ৰথম 'নাকেৰবাৰী সভা মহোৎসৱ'

গোপাল বাবা অন্তৰ্ধান হ'ল আৰু এৰি গ'ল তেওঁৰ পাদুকা যুগল যি পাদুকা যুগল আজিও থাপনাৰ ওচৰত ৰখা হৈছে। প্ৰতি প্ৰভাতত এই পাদুকা যুগলক পৱিত্ৰ ভাৱেৰে ধুই পুষ্প চতিয়াই শ্ৰদ্ধা জনাই আহিছে।

**সভাৰ আৰম্ভণি ১৮৬৯ চনৰ সাত অক্টোবৰ**

১৮৬৯ চনৰ সাত অক্টোবৰ বৃহস্পতিবাৰে পোন প্ৰথমবাৰৰ বাবে নাকেৰবাৰী সভা-মহোৎসৱ উদ্‌যাপন হোৱাৰ তথ্য পোৱা যায়।

গোপাল বাবা অন্তৰ্ধান হোৱাৰ পিছত নাকেৰবাৰী গঞা ৰাইজে অৱতাৰী পুৰুষগৰাকীৰ মৃত্যু তিথিটোত এদিনীয়াকৈ এক মাংগলিক অনুষ্ঠানৰ আয়োজন কৰিছিল। পৰৱৰ্ত্তী সময়ত এই অনুষ্ঠানৰ নাম 'বাহাৰৰ সভা' নামেৰে জনা গৈছিল। গোপাল বাবাই বাহৰ পাতা স্থানত অনুষ্ঠানটো আয়োজন কৰা হৈছিল গুণে তাৰ নাম 'বাহাৰৰ সভা'। এই নামেৰেই সভাখন নামনি অসমত প্ৰচাৰ হৈছিল আৰু কিছু বছৰ যোৱাৰ পিছত ৰাইজে ইয়াক 'নাকেৰবাৰী সভা' নাম দি আজিকোপতি সভাখন ধুম-ধামেৰে উদ্‌যাপন কৰি আহিছে।

**সভাৰ কাৰ্যসূচী**

প্ৰতি বছৰৰ কাতি মাহৰ শুক্ল পক্ষৰ দ্বিতীয়া তিথিৰ আগৰ একাদশীৰ দিনটোত কোনো জাননী অবিহনে প্ৰতি পৰিয়ালৰ লোক আহি ৰভা বা চাইন দিয়া পৰ্বৰ শুভাৰম্ভ কৰে। সিদিনা প্ৰতিটো পৰিয়ালৰ লোকে একোটিকৈ বাঁহ আনি বাঁহৰ চাইন দিয়া কামখিনি সমাপন কৰে। কোনো আগতীয়া জাননী অবিহনে অনুপস্থিত থকা লোকে জৰিমনা দিয়া নিয়ম। একাদশী তিথিৰ পিছৰ অমৱস্যা তিথিত চাইনত পাত দিয়া কাম। সিদিনা কলপাত, নাৰিকলৰ পাত, চাউ গছৰ পাত আদি আনি চাইনত দিয়া হয়। অৱশ্যে আজিকালি পাতৰ ঠাইত আধুনিক ৰভাৰ ব্যৱস্থা হৈছে ।

দ্বিতীয়া তিথিত 'সভাৰ গন্ধ'। সিদিনা আবেলি প্ৰতিটো পৰিয়ালে এবোজা ধানখেৰ, এক আটি খৰি, এক গণ্ডা তামোল আৰু দুই কিলোগ্ৰাম চাউলসহ নিৰ্ধাৰিত পৰিমাণৰ বৰঙণি জমা দিব লাগে। চাউল আদি সামগ্ৰীবোৰ সভাৰ কাম-কাজৰ লগতে দুৰণীবতীয়া অতিথি আৰু দোকানী-পোহাৰীক এসাজৰ বাবে সিধা দিয়া নিয়ম।

দ্বিতীয় দিনা অৰ্থাৎ শুক্লা তৃতীয়া তিথিত গোপাল বাবাৰ তিৰোভাৱ উপলক্ষ্যে হোম-যজ্ঞ। সিদিনা সকলো পুৰুষ লোকে ধূতি-চোলা পৰিধান কৰিহে সভাস্থলীলৈ অহা নিয়ম।

সভা শেষ হোৱাৰ এক সপ্তাহ পিছত আয়তীসকলে 'পচতিৰ নাম' ধৰা নিয়ম আছিল। কিন্তু এই নিয়মৰ সলনি ঘটাই সভা চাৰিদিনীয়া কৰি চতুৰ্থ দিনা পচতিৰ নাম ধৰা হয়।

# উৰিয়া গাঁৱত শিল্পী জুবিন গাৰ্গৰ স্মৃতিচাৰণ আৰু মাহেকীয়া অনুষ্ঠান সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ উৰিয়া গাঁও আঞ্চলিক যুৱক বৃন্দৰ উদ্যোগত আৰু অঞ্চলটোৰ সমূহ ৰাইজৰ সহযোগত যোৱা ১৯ অক্টোবৰত উৰিয়া গাঁও খেলপথাৰত অসমবাসীৰ হিয়াৰ আমঠু, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত স্মৃতিচাৰণ আৰু মাহেকীয়া অনুষ্ঠান ভাগ অনুষ্ঠিত কৰা হয়। পুৰা নাহৰ পুলি ৰোপণৰ কাৰ্যসূচী শুভাৰম্ভ কৰে চিকিৎসক ডাঃ লতিফুৰ ৰহমানে। ইয়াৰে পিছতে জনকণ্ঠ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে উৰিয়া গাঁও আঞ্চলিক যুৱক বৃন্দৰ সভাপতি বিকি হাজৰিকা, বিশিষ্ট নাট্যকৰ্মী কমলেশ শইকীয়া, যুৱক বৃন্দৰ বিষয়ববীয়া আৰু স্থানীয় জুবিন গাৰ্গৰ অনুৰাগীসকলে। তাৰ পিছতেই স্থানীয় ভকত বৃন্দৰ দ্বাৰা নাম প্ৰসংগৰ অন্তত কীৰ্তন পাঠ কৰা হয়। দুপৰীয়া শিল্পী জুবিন গাৰ্গৰ স্মৃতিত প্ৰস্তুত কৰি উলিওৱা স্মৃতিগ্ৰন্থ 'জুবিন অনন্য সুৰৰ সুষমা' শীৰ্ষক স্মৃতিগ্ৰন্থখন উন্মোচন কৰে নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। গ্ৰন্থ উন্মোচনী ভাষণত বিধায়ক ৰূপক শৰ্মাই কয়-জুবিন গাৰ্গক বিষয়ে আমি যিমানখিনি জানো। তাতকৈ তেওঁ বহু ওপৰৰ ব্যক্তি আছিল। মই ভাবো জুবিন গাৰ্গৰ মৃত্যু হোৱা নাই। তেওঁ এতিয়াও আমাৰ মাজত জীয়াই আছে। জুবিন গাৰ্গে আমাৰ সাংস্কৃতিক ক্ষেত্ৰখনত বহু অৱদান আগবঢ়াই থৈ গৈছে। অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনক আমি জুবিন গাৰ্গৰ আদৰ্শৰে আগুৱাই নিব লাগিব। যুৱক বৃন্দৰ বিষয়ববীয়া মৃদুল হাজৰিকা আৰু ৰাজ হাজৰিকাই আঁত ধৰা অনুষ্ঠানটোত বিধায়ক শৰ্মাই আৰু কয়- জুবিন গাৰ্গৰ মাহেকীয়া অনুষ্ঠানত প্ৰকাশ কৰা এই স্মৃতিগ্ৰন্থখনৰ যোগেদি উঠি অহা প্ৰজন্মই জুবিন গাৰ্গৰ বিষয়ে অধ্যয়ন কৰাৰ সুবিধা হ'ব। ভাষণ প্ৰসংগত বিধায়ক শৰ্মাই জুবিন গাৰ্গৰ স্মৃতি যুগমীয়া কৰি ৰাখিবৰ বাবে নগাঁও ছোৱালী মহাবিদ্যালয়ৰ সন্মুখত জুবিন গাৰ্গ স্মৃতি ক্ষেত্ৰ আৰু উৰিয়া গাঁৱত জুবিন গাৰ্গৰ এটি প্ৰতিমূৰ্তি নিৰ্মাণ কৰা হ'ব বুলি ঘোষণা কৰে।

# জুবিন গাৰ্গক ন্যায় প্ৰদানৰ বিষয়টোক ৰাজ্য চৰকাৰে সৰ্বাধিক প্ৰাথমিকতা প্ৰদান কৰিছে

ব্লক গাঁওস্থিত হৰি মন্দিৰ দৰ্শন কৰি সেৱা আগবঢ়োৱাৰ লগতে গাঁওবাসীৰ সৈতেও মত বিনিময় কৰে। এই বাৰ্তালাপকালত মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ শান্তি আৰু উন্নয়নৰ দিশত সহায়-সহযোগিতা আগবঢ়াই যাবলৈ গাঁওবাসীক আহ্বান জনায়। তেওঁ লগতে মন্তব্য কৰে যে অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গক ন্যায় প্ৰদানৰ বিষয়টোক ৰাজ্য চৰকাৰে সৰ্বাধিক প্ৰাথমিকতা প্ৰদান কৰিছে। বিশিষ্ট শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ তদন্ত সঠিক দিশত চলি আছে বুলিও তেওঁ মন্তব্য কৰে। এই পৰিদৰ্শনকালতে মুখ্যমন্ত্ৰীয়ে হৰি মন্দিৰৰ উন্নয়নৰ বাবে ১০ লাখ টকা আগবঢ়োৱাৰ কথা ঘোষণা কৰে। আনহাতে, মুখ্যমন্ত্ৰীয়ে আজি লক্ষ্মীপুৰ 'এ' ব্লক গাঁওস্থিত শিৱ মন্দিৰটোও দৰ্শন কৰি সেৱা আগবঢ়োৱাৰ লগতে মন্দিৰটোৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ১০ লাখ টকা আগবঢ়োৱাৰ কথা সদৰী কৰে। এই উপলক্ষ্যত জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, বিধায়ক ফণীধৰ তালুকদাৰৰ উপৰি জিলা আয়ুক্তসহ কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে।

# এগৰাকী প্ৰকৃতিপ্ৰেমী আৰু সৰ্প উদ্ধাৰকাৰী হিচাপে প্ৰতিষ্ঠা লাভ কৰা সৰ্পবন্ধু গৌতম কলিতাই অসম আৰক্ষীৰ পৰীক্ষাত অৱতীৰ্ণ হৈ সফলতা অৰ্জন

**চন্দন শৰ্মা, তেজপুৰ ঃ** কৃষকৰ সন্তান তথা এগৰাকী প্ৰকৃতিপ্ৰেমী আৰু সৰ্প উদ্ধাৰকাৰী হিচাপে প্ৰতিষ্ঠা লাভ কৰা সৰ্পবন্ধু গৌতম কলিতাই অসম আৰক্ষীৰ পৰীক্ষাত অৱতীৰ্ণ হৈ সফলতা অৰ্জন কৰাত ১২ অক্টোবৰ দেওবাৰে অসমৰ সৰ্ববৃহৎ সৰ্প উদ্ধাৰকাৰী দল হিচাপে পৰিচিত 'সৰ্পবান্ধৱ সৌৰভ বৰকটকী টীম'ৰ কাৰ্যকৰ্তাসকলে তেখেতৰ নিজা বাসভৱনত উপস্থিত হৈ অসমীয়াৰ স্বাভিমান ফুলাম গামোচাৰে তেখেতক বিশেষ সন্মান জ্ঞাপন কৰে। সেই উপলক্ষে স্থানীয় দুৰ্গা মন্দিৰত বিৰল প্ৰজাতিৰ উদ্ভিদ নাগচম্পা ৰোপণ কৰা হয়। উক্ত কাৰ্যক্ৰমত উপস্থিত থাকে টীমৰ মুখ্য উপদেষ্টা অধ্যাপক সৌৰভ বৰকটকী, উপ-সভাপতি মচিনুৰ ৰহমান, উপদেষ্টা টুটুমণি কলিতা, পৰিৱেশ কৰ্মী বাপধন দাসকে প্ৰমুখ্য কৰি টীমৰ আন আন কৰ্মকৰ্তাসকল। স্থানীয় ৰাইজৰ লগতে উক্ত অনুষ্ঠানত উপস্থিত থকা গৌতম কলিতাৰ পিতৃয়ে পুত্ৰৰ এই সাফল্যত সন্তুষ্টি ব্যক্ত কৰাৰ লগতে অসম চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। ভৱিষ্যতলৈ আৰক্ষীৰ চাকৰিৰ সমান্তৰালকৈ প্ৰকৃতিমূলক ক্ষেত্ৰখনতো গৌতম কলিতাৰ উত্তৰণৰ আশা ব্যক্ত কৰে 'সৰ্পবান্ধৱ সৌৰভ বৰকটকী টীমে।'

# সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত নাজিৰা ন-মাটিৰ নাওঁশলীয়া গাঁৱত অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গলৈ বিশেষ শ্ৰদ্ধাঞ্জলি




**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ ঃ** শিৱসাগৰ জিলাৰ অগ্ৰণী সামাজিক ও সাংস্কৃতিক অনুষ্ঠান 'সমন্বয় সাংস্কৃতিক গোষ্ঠী'ৰ উদ্যোগত আৰু নাজিৰা ন-মাটি নাওঁশলীয়া গাঁওবাসী ৰাইজৰ বিশেষ সহযোগত যোৱা ১৭ অক্টোবৰ, শুকুৰবাৰে নাওঁশলীয়া নামঘৰ তথা শংকৰী কলা-কৃষ্টি ক্ষেত্ৰ আৰু প্ৰাংগণত দিনজোৰা কাৰ্যক্ৰমণিকাৰে ভাৰতবৰ্ষৰ লগতে সমগ্ৰ বিশ্বত অভিলেখ সৃষ্টি কৰিবলৈ সক্ষম হোৱা জনতাৰ শিল্পী, অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ ন্যায়ৰ দাবীৰে ৰাজহুৱা আদ্যশ্ৰাদ্ধৰ লগতে বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ উপ-সভাপতি জুৰিমণি দত্তই আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটিৰ অংশস্বৰূপে অসমবাসী ৰাইজৰ হৃদয়ৰ স্পন্দন, সূৰ্যকণ্ঠ জুবিন গাৰ্গৰ পূণ্য আত্মাৰ চিৰশান্তি কামনাৰে পুৱা নামঘৰত গোপিনীসকলে নাম-প্ৰসংগ, শৰাই উচৰ্গা কৰি শিল্পীগৰাকীয়ে ন্যায় পাবলৈ প্ৰাৰ্থনা জনায়। পৰৱৰ্তী কাৰ্যসূচী অনুসৰি নামঘৰ প্ৰাংগণত জুবিন গাৰ্গৰ অতি প্ৰিয় নাহৰৰ পুলি ৰোপণ কৰে সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ সভাপতি জিতেন কাকতিয়ে। আনহাতে অনুষ্ঠানত উপস্থিত জ্যেষ্ঠ সাংবাদিক তথা সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ প্ৰতিষ্ঠাপক প্ৰধান সম্পাদক অমৃত কুমাৰ শৰ্মাই এনে এটা সুন্দৰ অনুষ্ঠান আয়োজন কৰাৰ বাবে গোষ্ঠীৰ উপদেষ্টা অদিত চন্দ্ৰ দত্ত, উপ-সভাপতি জুৰিমণি দত্তৰ লগতে নাওঁশলীয়া গাঁৱৰ সমূহ ৰাইজক আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে জুবিন গাৰ্গক ন্যায় প্ৰদান কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনায়। তাৰ পাছতেই বুধবাৰি সত্ৰৰ মহিলা শিল্পীসকলে পৰিৱেশন কৰা দিহানামে অনুষ্ঠানটিক এক অন্য মাত্ৰা প্ৰদান কৰে। আনফালে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শ্ৰেষ্ঠ সংগীত শিল্পী আলোক প্ৰাণ কছাৰীয়ে জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰি সমগ্ৰ অনুষ্ঠানটি জীপাল কৰি তোলে। উল্লেখযোগ্য যে, উক্ত দিনাই প্ৰাণৰ শিল্পীগৰাকীৰ সোঁৱৰণত আয়োজক সমিতিয়ে ৰাইজৰ মাজত প্ৰায় ১০০টা গছপুলি বিতৰণ কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। লগতে সমগ্ৰ অনুষ্ঠানভাগি সাফল্যমণ্ডিত কৰাৰ ক্ষেত্ৰত বিশেষ অৱদান আগবঢ়োৱা বিনা দত্ত, ৰিংকু দত্ত, বন্দনা দত্ত, মাজনী শইকীয়া আদিক সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ উপদেষ্টা অদিত চন্দ্ৰ দত্ত আৰু উপ-সভাপতি জুৰিমণি দত্তই সংবাদ মাধ্যমৰ যোগেদি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছে।

অসম চৰকাৰ

# মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি

উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ ১০ লাখ কন্যা শিক্ষাৰ্থীৰ বাবে অসম চৰকাৰৰ অভিলাষী পদক্ষেপ





ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

অসমৰ ৩৮০ৰো অধিক স্থানত একেটা দিনতে আনুষ্ঠানিকভাৱে আবেদন-পত্ৰ বিতৰণ

## সুবিধাসমূহ

| শাখা | মাহিলি ধনৰাশি * | সৰ্বাধিক মুঠ পুঁজি |
|---|---|---|
| উচ্চতৰ মাধ্যমিক (প্ৰথম আৰু দ্বিতীয় বৰ্ষ) | ১,০০০ টকা | ১০,০০০ টকা |
| স্নাতক আৰু সংহত শিক্ষক শিক্ষা কাৰ্যসূচী পাঠ্যক্ৰম (প্ৰথম আৰু দ্বিতীয় বৰ্ষ) | ১,২৫০ টকা | ১২,৫০০ টকা |
| স্নাতকোত্তৰ আৰু বি এড (প্ৰথম আৰু দ্বিতীয় বৰ্ষ) | ২,৫০০ টকা | ২৫,০০০ টকা |
| *বন্ধৰ সময়ছোৱা বাদ দি সৰ্বাধিক ১০ মাহৰ বাবে পুঁজি লাভৰ সুবিধা | | |

## সময়সূচী ২০২৫-২৬

| কাৰ্যসূচীসমূহ | সময়সূচী |
|---|---|
| আবেদন-পত্ৰ বিতৰণ | ৬ আগষ্ট – উচ্চতৰ শিক্ষা আৰু এছ চি ই আৰ টি |
| | ৭, ৮, ৯ আগষ্ট – মাধ্যমিক শিক্ষা |
| মহাবিদ্যালয়/বিদ্যালয় কৰ্তৃপক্ষৰ দ্বাৰা ছাত্ৰীৰ তথ্য আপলোডৰ বাবে প’ৰ্টেল মুকলি | ৭ আগষ্ট |
| প’ৰ্টেল বন্ধ | ৫ ছেপ্টেম্বৰ |
| এছ বি আই প’ৰ্টেলত তথ্য আপলোড | ১৫ ছেপ্টেম্বৰ |
| চেক বিতৰণ | অক্টোবৰ |

২০২৪-২৫ বৰ্ষ
১.৬ লাখ
ছাত্ৰীৰ বাবে
১৩৩ কোটি টকা
বিতৰণ

২০২৫-২৬ বৰ্ষ
৪ লাখ+
ছাত্ৰীলৈ
নিযুত মইনা আঁচনিৰ
সুবিধা

## সামাজিক প্ৰভাৱ

- উচ্চ শিক্ষাত ছাত্ৰীৰ নামভৰ্তি বৃদ্ধি
- বাল্য বিবাহ তথা কৈশোৰকালীন মাতৃত্ব প্ৰতিৰোধ
- আৱেগিক, মানসিক আৰু শাৰীৰিকভাৱে পৰিপক্ক নোহোৱা পৰ্যন্ত কন্যাৰ বিবাহ ৰোধ
- শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ অধিকাৰ সুনিশ্চিতকৰণ

## অৰ্হতা

- অসমত স্থায়ীভাৱে বাস কৰা ছাত্ৰী
- নিম্নোল্লিখিত পাঠ্যক্ৰম গ্ৰহণ কৰা ছাত্ৰী
  - উচ্চতৰ মাধ্যমিক, স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰম
  - নতুন শিক্ষা নীতি ২০২০ৰ অধীনৰ সংহত শিক্ষক শিক্ষা কাৰ্যসূচীৰ পাঠ্যক্ৰম
  - চৰকাৰী শিক্ষানুষ্ঠানত স্ব-পুঁজিৰে গ্ৰহণ কৰা পাঠ্যক্ৰম

## কোনে আঁচনিখনৰ সুবিধা লাভ নকৰে?

- বিবাহিতা ছাত্ৰী (স্নাতকোত্তৰ আৰু বি এড শিক্ষাৰ্থীৰ বাদে) আৰু চাকৰিয়াল বি এড ছাত্ৰী
- মন্ত্ৰী, সাংসদ আৰু বিধায়কৰ কন্যা
- বাণীকান্ত কাকতি বঁটা (স্কুটী) লাভ কৰা ছাত্ৰী
- ব্যক্তিগত শিক্ষানুষ্ঠানৰ ছাত্ৰী

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam | dipr.assam.gov.in

Janasanyog RO no 2652/25/24-October-25

# ডিব্ৰুগড়ৰ লেজাইত সাহিত্য সভাৰ পৰ্যালোচনা সভা সম্পন্ন



**ষ্টাফ ৰিপ’ৰ্টাৰ, ডিব্ৰুগড় ঃ** ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত বৃহত্তৰ লেজাই কলাখোৱা অঞ্চলত অহা ১ নৱেম্বৰত শিশুসকলৰ বৌদ্ধিক, মানসিক প্ৰতিভা বিকাশৰ অনুষ্ঠান ‘কুঁহি’ৰ এটি বিশেষ অনুষ্ঠান অনুষ্ঠিত হ’ব। অসম সাহিত্য সভাৰ উদ্যোগত আৰু লেজাই, কলাখোৱা আৰু কোটোহা শাখা সাহিত্য সভাৰ আতিথ্যত হ’ব লগা অনুষ্ঠানটিৰ কাৰ্যসূচীসমূহ সৰ্বাঙ্গ-সুন্দৰভাৱে আগবঢ়াই নিবলৈ ইতিমধ্যে কেবালানিও বৈঠকৰ অন্তত লেজাই ৰাজহুৱা প্ৰেক্ষাগৃহত ডিব্ৰুগড় জিলা সাহিত্য সভাৰ লগতে তিনিওখনি গৃহস্থ শাখা সমিতি আৰু আদৰণী সমিতিৰ এখনি যৌথ বৈঠক অনুষ্ঠিত হয়। আদৰণী সমিতিৰ সভাপতি কৃষ্ণকান্ত বৰাৰ সভাপতিত্ব অনুষ্ঠিত হোৱা সভাখনিৰ উদ্দেশ্য বাখ্যা আগবঢ়ায় আদৰণী সমিতিৰ সম্পাদক ভদ্ৰেশ্বৰ গগৈয়ে। প্ৰচাৰ সম্পাদক প্ৰশান্ত শইকীয়া আমন্ত্ৰিত অতিথিসকল চিনাকি কৰি দিয়া সভাত অসম সাহিত্য সভাৰ ‘কুঁহি’ আহ্বায়ক প্ৰশান্ত শইকীয়া সভাত উপস্থিত থাকি ‘কুঁহি’ অনুষ্ঠানটি জৰিয়তে সাহিত্য সভাই সমাজৰ প্ৰতি চামৰ লোক একত্ৰিত কৰি -সাহিত্য দিশত শিশু সকলক লৈ -‘কুঁহি’ যুৱ সমাজক লৈ ৰামধেনু আৰু জ্যেষ্ঠ সকলক লৈ মূল সমিতি গঠন কৰি আগবঢ়োৱা অনুষ্ঠানৰ তাৎপৰ্যৰ ওপৰত বক্তব্য প্ৰদান কৰে। সভাত অসম সাহিত্য সভাৰ ডিব্ৰুগড় জিলা কেন্দ্ৰীয় প্ৰতিনিধি নোমল চন্দ্ৰ গগৈ, জিলা সভাপতি বদন গগৈ, তিনিখন শাখা সভাপতি সম্পাদক-তথা আদৰণী সমিতিৰ প্ৰতিটো শাখাৰ সভাপতি সম্পাদকৰ লগতে অন্যান্য সদস্যসকল উপস্থিত থকা সভাত বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। প্ৰয়াত ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে প্ৰয়াত শিল্পী ৰাজীৱ শদিয়ালৈ শ্ৰদ্ধাজনাই গ্ৰন্থবিপণী মুকলি কৰা লগতে বহুকেইগৰাকী সাহিত্য অনুৰাগীক গ্ৰন্থৰ টোপোলাৰে সন্মানিত কৰিব। আনহাতে ডিব্ৰুগড় জিলাৰ পৰা অসম সাহিত্য সভাৰ বিভিন্ন শাখাৰ উপ-সমিতিত বিষয়বাবলোৱা ২৩ জন সদস্যক মুকলি সভালৈ নিমন্ত্ৰণ কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে। উল্লেখযোগ্য যে- ডিব্ৰুগড় জিলাৰ পৰা ক্ৰমে-অসম সাহিত্য সভালৈ ডিব্ৰুগড় জিলাৰ পৰা মনোনীত সদস্যবৃন্দ ক্ৰমে- প্ৰতিনিধি তথা কাৰ্যনিৰ্বাহক সদস্য, নোমল চন্দ্ৰ গগৈ, মনোনীত সদস্য, কৰ্ণধাৰ সমিতি, আদিত্য গোস্বামী, ডাঃ শান্তনু লহকৰ, সম্পাদক, ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয় তথা কাৰ্যনিৰ্বাহক সদস্য, অসম সাহিত্য সভা, প্ৰশান্ত শইকীয়া, আহ্বায়ক, কুঁহি উপ-সমিতি তথা কাৰ্যনিৰ্বাহক সদস্য, অসম সাহিত্য সভা, ড° শশীকান্ত শইকীয়া, আহ্বায়ক, আন্তঃৰাজ্য-বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, শৈক্ষিক সমিতিৰ আহ্বায়ক তথা কাৰ্যনিৰ্বাহক সদস্য, অসম সাহিত্য সভাৰ গৌতম গগৈ, আহ্বায়ক, যুৱ সংসদৰ আহ্বায়ক তথা কাৰ্যনিৰ্বাহক সদস্য, অসম সাহিত্য সভা, ড° সুৰজিত বৰকটকী, কাৰ্যকৰী সভাপতি, আন্তঃৰাজ্য-বিদেশ মৈত্ৰীবন্ধন উপ-সমিতি, অসম সাহিত্য সভা, অনীতা গগৈ, উপ-সভাপতি, যুৱ সংসদ, অসম সহিত্য সভা (নামৰূপ) সুৰজ দত্ত, উপ-সভাপতি, যুৱ সংসদ, অসম সাহিত্য সভা, অৰুণ বৰুৱা, উপ-সভাপতি, বিত্ত উপসমিতি, অসম সাহিত্য সভা, (টেঙাখাত) ড° ছবি গগৈ, উপ-সভাপতি, সাংস্কৃতিক উপ-সমিতি, অসম সাহিত্য সভা (দুলিয়াজান) মুন কৈৰী, উপ-সভাপতি, চাহ বাগিছা ভাষা-সাহিত্য-সংস্কৃতি বিকাশ উপ-সমিতি, অসম সাহিত্য সভা, ৰুণুমী মহন্ত, সদস্য, কুঁহি উপ-সমিতি, অসম সাহিত্য সভা, (নাহৰকটীয়া) মাইনু খনিকৰ, সদস্য, আকাশ উপ-সমিতি, অসম সাহিত্য সভা (দুলিয়াজান) অনিল সিংহ, সদস্য, জনগোষ্ঠী ইতিহাস প্ৰকল্প উপ-সমিতি, অসম সাহিত্য সভা, জ্যোতিপ্ৰসাদ কানৈ, সদস্য, শৈক্ষিক সমিতি, অসম সাহিত্য সভা, মনজিৎ বৰা, সদস্য, শৈক্ষিক সমিতি, অসম সাহিত্য সভা, ভুৱনমোহন গোস্বামী, আমন্ত্ৰিত সদস্য, অসম সাহিত্য সভা, প্ৰাতসলতা বুঢ়াগোহাঁই, আমন্ত্ৰিত সদস্য, অসম সাহিত্য সভা, অজয় সিংহ, আমন্ত্ৰিত সদস্য, অসম সাহিত্য সভা, (নাহৰকটীয়া) ইন্দ্ৰ গগৈ, আমন্ত্ৰিত সদস্য, অসম সাহিত্য সভা, আমন্ত্ৰিত সদস্য, অসম সাহিত্য সভা (মৰাণ) প্ৰশান্ত দত্তই সেৱা আগবঢ়াই আছে।

# পৰেশ বৈশ্যক ‘শিক্ষাবিদ বঁটা-২০২৫’ প্ৰদান



**গুৱাহাটী ঃ** বিশিষ্ট শিক্ষাবিদ তথা লেখক-সাংবাদিক পৰেশ বৈশ্যক আজি শংকৰদেৱ কলাক্ষেত্ৰৰ বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ফাষ্ট নিউজ অসমে শিক্ষাবিদ বঁটা-২০২৫ প্ৰদান কৰে। শিক্ষাৰ উত্তৰণৰ হকে আজীৱন আগবঢ়াই অহা বিশিষ্ট সেৱাৰ বাবে তেওঁক এই বঁটা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে বৈশ্যই পৰেশ বৈশ্য ফাউণ্ডেচনৰ পোহৰ বিদ্যালয়ৰ জৰিয়তে অসমৰ দুই হাজাৰৰো অধিক শিক্ষানুষ্ঠানৰ প্ৰায় দুই লাখ শিক্ষাৰ্থীক শৈক্ষিক মাৰ্গদৰ্শন দি এক অভিলেখ সৃষ্টি কৰিছে।






# ভাৰতীয় জনতা পাৰ্টি কৃষক মৰ্চা অসম প্ৰদেশৰ উদ্যোগত কাতি বিহু উদ্‌যাপন



**ৰমেন ভৰালী, বংশৰ ঃ** অসমীয়া জাতিৰ বৰ্ণিল কৃষ্টি-সংস্কৃতি আৰু পৰম্পৰাৰ সমাহাৰ কঙালী বিহু উপলক্ষে যোৱা ১৮ অক্টোবৰত ভাৰতীয় জনতা পাৰ্টি কৃষক মৰ্চা অসম প্ৰদেশৰ উদ্যোগত ভাজপা গুৱাহাটী মহানগৰ জিলা সমিতিৰ সহযোগত প্ৰাগজ্যোতিষপুৰ মণ্ডলত চন্দ্ৰপুৰৰ নিউ পাণবাৰীত কঙালী বিহু উদ্‌যাপন অনুষ্ঠান। কৃষক ৰাইজৰ আপোন পথাৰখন শস্য-শ্যামলা হৈ উঠক। তুলসীৰ তলৰ বন্তিগছিৰ জেউতিয়ে সকলোৰে জীৱন উজ্বলাই তোলক তাৰে কামনাৰে ৰাজ্যিক ভিত্তিত কৃষক মৰ্চা অসম প্ৰদেশৰ তৰফৰ পৰা কঙালী বিহু উদ্‌যাপন কৰা আৰু অসমীয়া জাতীয় জীৱনৰ ধাৰা ধৰি প্ৰচেষ্টা কৰি গুৱাহাটী মহানগৰ জিলাৰ লগতে অসমৰ ৩৯ খন সাংগঠনিক জিলাত এই কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত উপস্থিত থাকে কৃষক মৰ্চা অসম প্ৰদেশৰ ৰাজ্যিক সভাপতি পংকজ বৰবৰা ডাঙৰীয়া, বিজেপি অসম প্ৰদেশৰ ৰাজ্যিক সম্পাদক মহেশ দেউৰী ডাঙৰীয়া, কৃষক মৰ্চাৰ দুই সাধাৰণ সম্পাদক ৰঞ্জিত ভট্টাচাৰ্য ডাঙৰীয়া আৰু সঞ্জীৱ বড়া ডাঙৰীয়া, কৃষক মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি নিবাৰণ লহকৰ ডাঙৰীয়া, দিশপুৰ সমষ্টিৰ বিধায়ক সন্মানীয় অতুল বৰা ডাঙৰীয়া, বিজেপি অসম প্ৰদেশৰ অন্যান্য পিছপৰা শ্ৰেণী মৰ্চাৰ সভাপতি নবাৰুন মেধি ডাঙৰীয়া, বিজেপি অসম প্ৰদেশৰ কাৰ্যালয় সম্পাদক সুজিত বিশ্বাস ডাঙৰীয়া, ৰাজ্যিক সম্পাদিকা অসমী বৰা ডাঙৰীয়ানী, কাৰ্যালয় সম্পাদক প্ৰকাশ শইকীয়া ডাঙৰীয়া, সামাজিক মাধ্যমৰ আহ্বায়ক হৃষিকেশ কলিতা ডাঙৰীয়া, সহ কাৰ্যালয় সম্পাদক প্ৰিয়ম গোস্বামী ডাঙৰীয়া, গুৱাহাটী মহানগৰ জিলা কৃষক মৰ্চাৰ সভাপতি মৃণাল দাস ডাঙৰীয়া আদিকে ধৰি স্থানীয় কৃষক ৰাইজ আৰু প্ৰাগজ্যোতিষপুৰ মণ্ডলৰ কাৰ্যকৰ্তা সকল।







স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।

Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া

সম্পাদক ঃ প্ৰণতি বৰা